www.newsnextone.com

e সংবাদ

## চাৰিখন গাঁও বাল্য বিবাহ মুক্ত!

**ই-সংবাদ, গুৱাহাটী, ৩০ ডিচেম্বৰঃ** ধৰ্ম বিশেষক টাৰ্গেট কৰি শেহতীয়াকৈ তৃতীয় পৰ্যায়ৰ ৪ পৃষ্ঠাত চাওক

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

TUESDAY, DECEMBER 31, 2024 ■ মঙলবাৰ, ১৫ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৬ Guwahati, Assam ।। মূল্যঃ এটকা

# বিজেপি নেতাৰ প্ৰহাৰত প্ৰাণ হেৰুওৱা ধৰ্মেন্দ্ৰৰ মৃতদেহ উদ্ধাৰ

### উত্তপ্ত পৰিস্থিতিৰ মাজতে ৰঙিয়া থানাৰ অ'চিক বদলি



**নিশাৰ ভাগত আৰক্ষীৰ জালত পৰিল মণি, বিকি, অনুষ্ময়, নিতু**

**ই-সংবাদ, গুৱাহাটী-ৰঙিয়া, ৩০ ডিচেম্বৰঃ** ক্ষমতাৰ ৰাগীত বলিয়া হৈছে নেকি এংকাশ বিজেপি নেতা? ক্ষমতাৰ ৰাগীত অন্ধ হৈ পৰিছে নেকি বিজেপি নেতা? বিজেপি নেতাই সাধাৰণ কথাৰ গইনা লৈ এজন নিৰীহ যুৱকক হত্যা কৰাৰ অভিযোগৰ পিছতে এনে একাধিক প্ৰশ্নই জোকাৰি গৈছে ৰাজ্যবাসীক। উল্লেখ্য যে, কামৰূপৰ ৰঙিয়াত বিজেপি নেতাই এজন শেষাংশ ৪ পৃষ্ঠাত

# হত্যা, হিংসা, দুৰ্ঘটনা! চকুৰ পচাৰতে পাৰ হৈ গ'ল এটা 'বিষাদ বৰ্ষ'

**পংকজ তৰুণ, ৩০ ডিচেম্বৰঃ** শীতৰ চাদৰখন গাত মেৰিয়াই গুচি যোৱাৰ পথত আৰু এটা বৰ্ষ! এটা বছৰক বিদায় দি এটা নতুন বছৰক আদৰিবলৈ ইতিমধ্যে সাজু হৈছে সমগ্ৰ বিশ্ব। ২০২৪ৰ এই অন্তিম মুহূৰ্তখিনিত চলিছে পাৰ হৈ যোৱা বছৰটোৰ পোৱা-নোপোৱাৰ হিচাব-নিকাচ। প্ৰাপ্তি আৰু সুখানুভূতিৰ মাজতে এই বছৰটোৱে সমগ্ৰ বিশ্বৰ বুকুত সানি থৈ গ'ল বিষাদৰো ৰহণ। বছৰটোৰ আৰম্ভণিতে ভাৰতীয়ই হেৰুৱাইছিল গজল সম্ৰাট পংকজ উধাছক। শেষাংশ ২ পৃষ্ঠাত

### নাগালেণ্ডৰ মন্ত্ৰীলৈ বঁটা

## শিৱসাগৰত শ্বহীদ দিৱস পালন আটাছুৰ

**ই-সংবাদ, শিৱসাগৰ, ৩০ ডিচেম্বৰঃ** 'আলফা নিপাত যাওঁক। আলফাই একালত ডিম্বেশ্বৰ গগৈৰ দৰে জাতিপ্ৰমী নেতাক ৬ পৃষ্ঠাত চাওক

## গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্ত নিযুক্ত পাৰ্থসাৰথি মহন্ত

**ই-সংবাদ, ৩০ ডিচেম্বৰঃ** ২০২২ চনৰ ১৬ ডিচেম্বৰত গুৱাহাটীৰ আৰক্ষী আয়ুক্ত পদ চম্ভালা আৰক্ষী বিষয়া দিগন্ত বৰাক উক্ত পদৰ পৰা বদলি কৰা হৈছে। আৰক্ষী বিষয়া দিগন্ত বৰাক শেষাংশ ৩ পৃষ্ঠাত



# আধৰুৱা হৈ ৰ'ল একাধিক আঁচনি! মাজুলীত উন্নয়ন আজিও সুদূৰপৰাহত

**ই-সংবাদ, মাজুলী, ৩০ ডিচেম্বৰঃ** মাজুলীবাসীৰ বাবে ২০২৪ বৰ্ষটোত অসম্পূৰ্ণ হৈ ৰ'ল একাধিক আঁচনিৰ কাম। যোৱা ৮ বছৰত মাজুলী জিলাৰ বাট-পথৰ



লগতে বিশুদ্ধ খোৱাপানীৰ বাবে গ্ৰহণ কৰা অভিলাসী প্ৰকল্পই সমগ্ৰ মাজুলীকে স্পৰ্শ কৰিছিল যদিও ১০৪.১১ কোটি টকাতকৈও শেষাংশ ৩ পৃষ্ঠাত

### ৩৯সংখ্যক মাৰ্কিন ৰাষ্ট্ৰপতি

## শতায়ু গৰকি শেষ নিশ্বাস ত্যাগ জিমি কাৰ্টাৰৰ



**নিউয়ৰ্ক, ৩০ ডিচেম্বৰঃ** শত বছৰ গৰকি শেষ নিশ্বাস ত্যাগ আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা শান্তিৰ নোবেল বিজয়ী জিমি কাৰ্টাৰৰ। দেওবাৰে জৰ্জিয়াৰ নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে শেষাংশ ৩ পৃষ্ঠাত

## বাংলাদেশৰ সংবিধান সলাবলৈ সাজু ইউনুছ!

**ঢাকা, ৩০ ডিচেম্বৰঃ** পুনৰ এবাৰ উত্তপ্ত হৈ পৰিছে বাংলাদেশৰ ৰাজনীতি। অহা ৩১ ডিচেম্বৰত ঢাকাৰ কেন্দ্ৰীয় শ্বহীদ মিনাৰত 'জুলাই-আগষ্ট মাহৰ শেষাংশ ৪ পৃষ্ঠাত

### মাজুলীত গৌৰৱৰ কটাক্ষ

## হিমন্ত বিশ্ব শৰ্মাক ফ্লাইঅভাৰ চিএম আখ্যা

**ই-সংবাদ, মাজুলী, ৩০ ডিচেম্বৰঃ** যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ সোমবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে মাজুলীত উপস্থিত হয়। সাংসদ শেষাংশ ৫ পৃষ্ঠাত

## মাছখোৱাত বিটিআৰৰ ভিজন ডকুমেণ্ট মুকলি

**ই-সংবাদ, ৩০ ডিচেম্বৰঃ** বিটিআৰ চৰকাৰৰ উদ্যোগত মাছখোৱাৰ প্ৰাগজ্যোতিষ আইটিএ কেন্দ্ৰত আজি বিটিআৰৰ ভিজন ডকুমেণ্ট উন্মোচন কৰা হয়। বিটিআৰ অঞ্চলত বসবাস কৰা শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হত্যা, হিংসা, দুৰ্ঘটনা! চকুৰ পচাৰতে

শেহতীয়াকৈ প্ৰসিদ্ধ তবলাবাদক ওস্তাদ জাকিৰ হুছেইন, প্ৰসিদ্ধ চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগাল আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙক হেৰুৱাই এই বছৰটোত শোকস্তব্ধ হৈ পৰিল সমগ্ৰ ভাৰতবাসী। ২০২৪ বৰ্ষটোত দুখৰ বন্যা বোৱাই ভাৰতত সংঘটিত হ'ল কেইবাটাও শোকাৱহ ঘটনা। কলকাতাৰ মহিলা চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ পৰা জয়পুৰৰ বিধ্বংসী গেছ টেংকাৰ দুৰ্ঘটনালৈকে অনেক ঘটনাই জোকাৰি থৈ গ'ল বছৰটোক। বিদায়ী বছৰটোতে কেৰালাত শুনা গৈছিল মৃত্যুৰ আৰ্তনাদ। জুলাই মাহত কেৰালাৰ ৱায়ানাদ জিলাত এক ভয়াৱহ ভূমিস্খলনে প্ৰায় ৩০০ লোকৰ প্ৰাণ কাঢ়ি নিছিল। জলবায়ু বিশেষজ্ঞসকলৰ মতে আৰৱ সাগৰৰ উষ্ণতাৰ ফলত হোৱা অত্যন্ত প্ৰবল বৰষুণৰ ফলতে সংঘটিত হৈছিল এই ঘটনা। সমগ্ৰ দেশক জোকাৰি যোৱা ৱায়ানাদৰ প্ৰাকৃতিক দুৰ্যোগৰ প্ৰসংগ বিৰোধীয়ে উত্থাপন কৰিছিল সংসদৰ মজিয়াতো। জলবায়ু পৰিৱৰ্তনে সৃষ্টি কৰা এই ভয়াবহ দুৰ্যোগ আছিল বছৰটোত সংঘটিত শোকাবহ ঘটনাৰ ভিতৰত অন্যতম। ২ জুলাইত উত্তৰ প্ৰদেশৰ হাথৰছত অনুষ্ঠিত হোৱা 'সৎসংগ'ত সৃষ্টি হোৱা ভিৰৰ মাজত পদপিষ্ট হৈ প্ৰাণ হেৰুৱাইছিল শতাধিক লোকে। জুলাইৰ প্ৰচণ্ড গৰমৰ মাজতে অনুষ্ঠিত হোৱা ভোলে বাবাৰ সৎসংগত ধৰ্মগুৰুগৰাকীৰ পদধূলা বিচাৰি সৃষ্টি হোৱা জনসমাগমৰ সময়তে সংঘটিত হৈছিল এই ঘটনা। আৰক্ষী বিষয়াৰ মতে, ধৰ্মীয় সমাৱেশত অত্যধিক জনসমাগমৰ বাবেই এই শোকাৱহ দুৰ্ঘটনা সংঘটিত হয়। যোৱা ২০ জুনত তামিলনাডুৰ কল্লাকুৰিচিত অবৈধ 'পেকেট মাদক' সেৱন কৰি কমেও ৬৫ জন লোকৰ মৃত্যু হৈছিল। আৰক্ষীয়ে অবৈধ মাদক বিক্ৰী কৰাৰ অপৰাধত কে গোবিন্দৰাজ ওৰফে কান্নুকুট্টী (৪৯) নামৰ এজন সুৰা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে ২০০ লিটাৰৰো অধিক সুৰা জব্দ কৰিছিল। ভিল্লুপুৰমৰ ফৰেনছিক লেবৰেটৰীত পৰীক্ষা কৰা এই সুৰাৰ নমুনাত পোৱা গৈছিল বিষাক্ত মিথানল। বিদায়ী বছৰটোত কেইবাটাও ৰে'ল দুৰ্ঘটনাই শোকস্তব্ধ কৰে ভাৰতবাসীক। এই বছৰ সংঘটিত ৰে'ল দুৰ্ঘটনাসমূহৰ ভিতৰত অন্যতম আছিল ১৭ জুনত পশ্চিম বংগৰ দাৰ্জিলিং জিলাৰ ৰঙাপানী ৰে'ল ষ্টেচনৰ সমীপত সংঘটিত ৰে'ল দুৰ্ঘটনা। পিছফালৰ পৰা এখন মালবাহী ৰে'লে শিয়ালদাহ-আগৰতলা কাঞ্চনজংঘা এক্সপ্ৰেছত খুন্দা মৰাত ১১ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৬০ জনৰো অধিক যাত্ৰী আহত হৈছিল। নিহতসকলৰ ভিতৰত ছয়জন আছিল এক্সপ্ৰেছ ৰে'লখনৰ যাত্ৰী। ইয়াৰ লগতে মালবাহী ৰে'লখনৰ লোকো পাইলট, যাত্ৰীবাহী ৰে'লখনৰ গাৰ্ড আৰু ৰে'লৰে মেইল চাৰ্ভিচৰ এজন বিষয়াও নিহত হৈছিল বছৰৰ অন্যতম ৰে'ল দুৰ্ঘটনাটোত। দাৰ্জিলিংৰ ভয়ংকৰ ৰে'ল দুৰ্ঘটনাৰ এপষেকৰ ভিতৰতে আন এক দুৰ্ঘটনাই জোকাৰি গৈছিল সমগ্ৰ দেশক। ৩০ জুলাইত ঝাৰখণ্ডৰ জামছেদপুৰৰ সমীপত হাওৰা-মুম্বাই চি এছ এম টি মেইলৰ ১৮টা ডবা ৰেলপথৰ পৰা বাগৰি পৰাৰ ফলত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে কমেও ২০জন লোক আহত হয়। ১৮ আগষ্টতো সংঘটিত হয় আন এক ৰে'ল দুৰ্ঘটনা। উত্তৰ প্ৰদেশৰ গোণ্ডা জিলাৰ ঝিলাহীৰ সমীপত ডিব্ৰুগড়-চণ্ডীগড় এক্সপ্ৰেছৰ বাৰটা ডবা ৰেলপথৰ পৰা বাগৰি পৰাত প্ৰাণ হেৰুৱায় চাৰিজনকৈ লোকে। দুৰ্ঘটনাটোত আন ৩২ জন লোক আহতও হয়। ইফালে ২ নৱেম্বৰত কেৰালাৰ ছোৰানুৰৰ সমীপত ভাৰতপূজা নদীৰ ওপৰত এখন দলং পৰিষ্কাৰ কৰি থকা অৱস্থাত কেৰালা এক্সপ্ৰেছে মহতিয়াই নিয়াত মৃত্যুক সাৱটি ল'বলগীয়া হয় তামিলনাডুৰ চাৰিজন অনাময় কৰ্মীয়ে। বছৰটোত ভিতৰত এনেদৰে সংঘটিত কে'বাটাও ৰে'ল দুৰ্ঘটনাই ভাৰতীয় ৰে'ল কৰ্তৃপক্ষক লৈও প্ৰশ্নৰ উত্থাপন কৰে। অৱশ্যে ইমানৰ পিছতো গাদী এৰিবলৈ ৰাজী নহ'ল ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ। যোৱা ৪ নৱেম্বৰত উত্তৰাখণ্ডৰ আলমোৰা জিলাৰ মাৰ্চুলা অঞ্চলত গড়ৱাল মটৰ মালিক সংঘৰ এখন বাছ ২০০ মিটাৰ দ খাৱৈত পৰি ৩৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে বহু লোক আহত হয়। নৈনিতালৰ পৰা পৌৰী গড়ৱাললৈ গৈ থকা বাছখনত আছিল বহন ক্ষমতাতকৈ অধিক যাত্ৰী। যাৰ বাবে পাহাৰীয়া পথত চালকে বাছখনৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলায় আৰু পৰিণামস্বৰূপে এই দুৰ্ঘটনা সংঘটিত হয়। উল্লেখ্য যে, এয়া আছিল ২০১৮ চনৰ পিছত সংঘটিত উত্তৰাখণ্ডৰ সৰ্ববৃহৎ দুৰ্ঘটনা। ২৫ মে'ত গুজৰাটৰ ৰাজকোটত সংঘটিত হোৱা বৃহৎ অগ্নিকাণ্ডত ৩৩ জন লোকে প্ৰাণ হেৰুৱাইছিল। প্ৰাথমিক তদন্ত অনুসৰি, টি আৰ পি গেম জ'নত ৱেল্ডিং মেচিনৰ স্ফুলিংগৰ পৰা জুইৰ সূত্ৰপাত হৈছিল। গেম জ'নত প্ৰায় ২০০০ লিটাৰ ডিজেল আৰু ১০০০-১৫০০ লিটাৰ পেট্ৰ'ল জমা কৰি ৰখা হৈছিল, যিবোৰৰ সহায়ত বাহনসমূহ চলোৱা হৈছিল। বৃহৎ পৰিমাণৰ ইন্ধনৰ মজুতৰ ফলত জুই কম সময়ৰ ভিতৰতে বিয়পি পৰি বিধ্বংসী ৰূপ লয়। এয়া আছিল বছৰটোৰ অন্যতম এক মৰ্মান্তিক দুৰ্ঘটনা। ২০২৪ৰ আন এক হৃদয় বিদাৰক দুৰ্ঘটনা সংঘটিত হৈছিল ১৫ নৱেম্বৰত। ঝান্সীৰ এখন চিকিৎসালয়ৰ এন আই চি ইউত সংঘটিত অগ্নিকাণ্ডত প্ৰাণ হেৰুৱাবলগীয়া হৈছিল ১৭টা শিশুৱে। ঘটনাৰ পিছত কৰা অনুসন্ধানত জানিব পৰা যায় যে অতিমাত্ৰা ভিৰৰ বাবে হাস্পতালৰ লাইফ-চাপৰ্ট সজুলিসমূহ একেৰাহে চলি আছিল। ইয়াৰ বাবেই উত্তাপ বৃদ্ধি পাই জুইৰ সূত্ৰপাত ঘটে। ১৩ মে'ত মুম্বাইৰ ঘাটকোপাৰত এখন অবৈধ হৰ্ডিং ভাঙি ১৬ জন লোকে প্ৰাণ হেৰুৱায়। ঘণ্টাত ৬০ ঘণ্টা বেগেৰে বলা অপ্ৰত্যাশিত ধূলিৰ ধুমুহাৰ ফলত ২৫০ টন ওজনৰ হৰ্ডিংখন এটা পেট্ৰ'ল পাম্পৰ ওপৰত বাগৰি পৰাৰ ফলত সংঘটিত হয় এই শোকাবহ দুৰ্ঘটনা। উল্লেখ্য যে, ২০২১ চনৰ পৰা ৰে'ল আৰক্ষী কল্যাণ পুঁজি সন্থাই পৰিচালনা কৰি আহিছিল এই হৰ্ডিংসমূহ। বছৰটোৰ শেষ মাহত আন এক মৰ্মান্তিক দুৰ্ঘটনাই জোকাৰি যায় মুম্বাই বন্দৰ। ১৮ ডিচেম্বৰত মুম্বাই বন্দৰত ভাৰতীয় নৌসেনাৰ স্পীড ক্ৰাফ্ট আৰু যাত্ৰীবাহী ফেৰী 'নীল কমল'ৰ সংঘৰ্ষত ১৫ জন লোকৰ মৃত্যু ঘটে। জাহাজখন ইঞ্জিন পৰীক্ষাৰ বাবে সাগৰত থকাৰ সময়তে এখন নৌসেনাৰ ৰিজিড ইনফ্লেটেবল নাও (আৰ আই বি) ফেৰীৰ সৈতে সংঘৰ্ষত লিপ্ত হয়। কাৰিকৰী বিজুতিৰ বাবে নাওখনে নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলত এই মাৰাত্মক দুৰ্ঘটনা সংঘটিত হয়। ২০২৪ চনটোত সমগ্ৰ দেশজুৰি প্ৰতিবাদৰ জোৱাৰ তোলা এক নিৰ্মম আৰু পাশৱিক কাণ্ড আছিল কলকাতাৰ মহিলা চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাকাণ্ড। ৯ আগষ্টত কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত সংঘটিত হৈছিল এই শোকাৱহ ঘটনা। হাস্পতালৰ আলোচনা চক্ৰ কক্ষত মহিলা চিকিৎসকগৰাকীৰ অৰ্ধনগ্ন মৃতদেহ উদ্ধাৰৰ ঘটনাই সমগ্ৰ দেশজুৰি চিকিৎসকৰ নিৰাপত্তাক লৈ প্ৰশ্নৰ উত্থাপন কৰে। কলকাতা আৰক্ষী বাহিনীৰ স্বেচ্ছাসেৱী সদস্য সঞ্জয় ৰায়ৰ বিৰুদ্ধে উত্থাপন হয় ধৰ্ষণ আৰু হত্যাৰ অভিযোগ। দেশজুৰি চিকিৎসকে ধৰ্মঘটত অংশগ্ৰহণ কৰে, বহিঃৰোগীৰ সেৱা বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰীয় টাস্ক ফ'ৰ্চ গঠন কৰে, য'ত চিকিৎসকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ প্ৰট'কল তৈয়াৰ কৰাৰ নিৰ্দেশ দিয়া হয়। টাস্ক ফ'ৰ্চক তিনি সপ্তাহৰ ভিতৰত অন্তৰ্বৰ্তীকালীন প্ৰতিবেদন আৰু দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হয়। বছৰটোৰ শেষৰ ফালে ৰাজস্থানৰ ভাংকোটাৰ অঞ্চলত এক ভয়ংকৰ দুৰ্ঘটনাই প্ৰাণ কাঢ়ি নিয়ে ২০ জনকৈ লোকৰ। যোৱা ২০ ডিচেম্বৰত জয়পুৰ-আজমেৰ ৰাষ্ট্ৰীয় ঘাইপথত গুজৰাটৰ মুন্দ্ৰা বন্দৰৰ পৰা উত্তৰ প্ৰদেশলৈ গেছ কঢ়িয়াই অনা এল পি জি টেংকাৰ এখনে ঘাইপথত ইউ টাৰ্ণ লোৱাৰ সময়ত বিপৰীত দিশৰ পৰা অহা এখন ট্ৰাকৰ সৈতে সংঘৰ্ষত লিপ্ত হয়। পুৱা ৫:৪৪ বজাত সংঘটিত এই দুৰ্ঘটনা আৰু তাৰ পিছতে সংঘটিত বিস্ফোৰণ আৰু অগ্নিকাণ্ডত চাৰখাৰ হৈ পৰে ডজনৰো অধিক বাহন আৰু প্ৰাণহানি হয় কমেও ২০ জন লোকৰ। ২১ আগষ্টত অন্ধ্ৰ প্ৰদেশৰ অনাকাপল্লে জিলাৰ আচুথাপুৰম এছ ই জিৰ ছায়েন্টিয়া এডভান্সড ছায়েন্সেছত ৰিয়েক্টৰ বিস্ফোৰণত ১৭জন শ্ৰমিক নিহত হোৱাৰ লগতে ৫০জন গুৰুতৰভাৱে আহত হয়। বিস্ফোৰণৰ তীব্ৰতা ইমানেই ভয়াবহ আছিল যে কেইবা মিটাৰ নিলগ পৰ্যন্ত সিঁচৰিত হৈ পৰিছিল মৃতদেহৰ অংগ। এই দুৰ্ঘটনাটোক যোৱা দশকত ৰাজ্যখনৰ সৰ্ববৃহৎ উদ্যোগিক দুৰ্ঘটনা হিচাপে চিনাক্ত কৰা হৈছিল। ১৭ ফেব্ৰুৱাৰীত তামিলনাডুৰ চেংগামালাপট্টি গাঁৱৰ শ্ৰী সুদৰ্শন ক্ৰেকাৰ্ছ নামৰ এটা আতচবাজী কাৰখানাত সংঘটিত বিস্ফোৰণ কাণ্ডও আছিল বছৰটোৰ অন্যতম বৃহৎ দুৰ্ঘটনা। এই বিস্ফোৰণত ৬ গৰাকী মহিলাসহ ১০ জন লোকৰ মৃত্যু হৈছিল। কাৰখানাটোত শ্ৰমিকসকলে আতচবাজী নিৰ্মাণ কৰি থকাৰ সময়তে এই বিস্ফোৰণ সংঘটিত হয়। এনে বহু সৰু-বৰ ঘটনা আৰু দুৰ্ঘটনাৰে বহুতৰে বুকু শুদা কৰি গুচি যোৱাৰ পথত ২০২৪! হত্যা, ধৰ্ষণ, দুৰ্ঘটনাৰে ভৰা এটা বছৰ অতিক্ৰম কৰাৰ পিছত এতিয়া সময় স্বপ্নৰ আলোকেৰে সজ্জিত আৰু এটা নতুন বছৰত প্ৰৱেশ কৰাৰ। নতুন বছৰটো প্ৰতিজন ব্যক্তিৰ বাবে হওক সুখ, সমৃদ্ধিৰে ভৰা, সেয়াই সকলোৰে কাম্য।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আধৰুৱা হৈ ৰ'ল একাধিক আঁচনি!

অধিক ব্যয় সাপেক্ষ ২৮ৰো অধিক বিশুদ্ধ খোৱা পানী যোগান আঁচনিৰ পৰা সুফল মাজুলীবাসীয়ে আজিকোপতি লাভ নকৰিলে। ইফালে মাজুলীৰ বান খহনীয়া সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে তৎপৰতা গ্ৰহণ কৰি ২৩৮ কোটিৰ মাজুলী সুৰক্ষাৰ বৃহৎ আচনি গ্ৰহণ কৰিছিল যদিও উক্ত কামৰ ঠিকা লাভ কৰা অৰুণাচলৰ প্ৰভাৱশালী ৰাজনীতিকৰ আৰ্শীবাদ পুষ্ট টি কে ইঞ্জিনীয়াৰিং নামৰ সংস্থাটোৱে কিছু অনিয়মেৰে কাম কাজ কৰি যোৱা বুলি মাজুলীবাসীয়ে সততে অভিযোগ কৰি আহিছে। ইফালে বিজেপি চৰকাৰৰ দুটা কাৰ্যকালৰ বিশেষকৈ যোৱা কেইবাটাও বিত্তীয় বাজেটত মাজুলীৰ বাবে বহু অভিলাসী আঁচনিৰ কথা ঘোষণা কৰা হৈছিল। মূলতঃ ইয়াৰ ভিতৰত আছিল ক্ৰমে গ্ৰামীণ আন্তঃগাঠনি উন্নয়ন পুঁজিৰ অধীনত ১০ কোটি টকাৰ অৰ্থ সাহাৰ্য্যৰে মাজুলীত এখন তিনি তাৰকা যুক্ত হোটেল-ৰিজৰ্ট স্থাপন। সেই অনুসৰি তিনি তাৰকা যুক্ত হোটেল-ৰিজৰ্টৰ বাবে সেই সময়ত মাজুলীৰ বনগাঁৱত বহু বিঘা মাটিও আৱন্টন দিয়া হৈছিল। সেই অনুসৰি প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালে নিজ কাৰ্যকালৰ ভিতৰতে উদ্বোধন কৰিব পৰাকৈ নিৰ্মাণৰ ক্ষেত্ৰত সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সেই সময়ত তৎপৰতা গ্ৰহণ কৰিছিল যদিও সোণোৱালৰ উক্ত সপোনৰ প্ৰকল্প মূৰকত ঘোষণাতে সীমাবদ্ধ হৈ থাকিল। বাজেট প্ৰস্তাৱিত উক্ত ঘোষণা আজি ৭ টাকৈ বছৰে বাস্তৱ প্ৰতিফলন নঘটাৰ সন্দৰ্ভত চলোৱা নিজাববীয়া চৰজমিন তদন্তত পোহৰলৈ অহা ভয়ংকৰ সত্যটো হৈছে গ্ৰামীণ আন্তঃগাঠনি উন্নয়ন পুঁজিৰ অধীনত নিৰ্মাণ হ'বলগীয়া তিনি তাৰকাযুক্ত হোটেলৰ নামত হোটেলৰ বাবে আৱন্টিত ভূমিত আজি ৭ বছৰে শিল গুটি এটাও নপৰিল। ইফালে, কমলাবাৰী চহৰ অঞ্চল আটকধুনীয়াকৈ নিৰ্মাণৰ বাবে ৩০.৯৫ কোটিৰ প্ৰস্তাৱ আজি পৰ্যন্ত বাস্তৱায়িত নোহোৱা, ইউনেস্কত মাজুলীৰ নাম অন্তৰ্ভুক্তিৰ বাবে ২ কোটি টকা প্ৰস্তাৱ কৰিও আজি পৰ্যন্ত মাজুলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ প্ৰাৰম্ভিক দচিয়াৰ প্ৰস্তুত নোহোৱা, ২৫ কোটি টকা ব্যয়েৰে মাজুলীত জিলা বিজ্ঞান-প্ৰযুক্তি কেন্দ্ৰ তথা তাৰকাগৃহ মাজুলীত পলিটেকনিক আজি পৰ্যন্ত নিৰ্মাণ সম্পূৰ্ণ নোহোৱা, তৃতীয় চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ নিৰ্মাণৰ অতি শামুকীয়া গতি ইত্যাদি। ইয়াৰ উপৰিও মাজুলীৰ ৰাওনাপাৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ বহু বিঘা মাটি অৱহেলিত হৈ পৰি থকাৰ পিছতো চৰকাৰে উক্ত মাটিখিনিৰ সদব্যৱহাৰ কৰিব পৰা নাই। উক্ত বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত এখন বি এড কলেজ স্থাপনৰ মাজুলীৰ ৰাইজে পোষকতা কৰে আৰু পূৰ্বৰ মুখ্যমন্ত্ৰীয়েও মাজুলীত এখন বি এড কলেজ স্থাপনৰ প্ৰতিশ্ৰুতি দিছিল যদিও উক্ত প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতি হৈয়েই থকাত মাজুলীৰ ৰাইজে আক্ষেপ প্ৰকাশ কৰিছে। পূৰ্বৰ মুখ্যমন্ত্ৰী সোণোৱালে মাজুলীৰ বৰদুৱাৰত চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে যদিও আজিকোপতি আদৰ্শ কলেজখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ নুঠিল। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ মূল চৌহদৰ নিৰ্মাণ কাৰ্য আজিকোপতি সম্পূৰ্ণ হৈ নুঠিল। মাজুলী জিলা চিকিৎসালয়ত ৫০ গৰাকী ছাত্ৰীৰ নামভৰ্ত্তিৰে চলি থকা নাৰ্চিং স্কুলখন সীমিত সা-সুবিধাৰে আজিকোপতি চলাৰ বিপৰীতে নাৰ্ছিং স্কুলখনৰ বাবে সুকীয়া গৃহ নিৰ্মাণ নহ'ল। ২০১৮ বৰ্ষতে কাম আৰম্ভ হোৱা মাজুলীৰ মিনি সচিবালয়ৰ কাম যোৱা ২০২০ বৰ্ষতে সম্পূৰ্ণ হ'ব লাগিছিল যদিও আজিকোপতি কাম সম্পূৰ্ণ হৈ নুঠাৰ বাবে এই বৰ্ষটোত মিনি সচিবালয় জিলা প্ৰশাসনক গতাব নোৱাৰিলে সংশ্লিষ্ট বিভাগে। আনহাতে মাজুলীৰ ক্ৰীড়া প্ৰতিভাক উদ্ভাসিত কৰাৰ মানসেৰে মাজুলীৰ কমলাবাৰীস্থিত ক্ৰিকেট ষ্টেডিয়াম আৰু জেংৰাইমুখত নিৰ্মাণৰত ষ্টেডিয়াম বছৰ বছৰ ধৰি নিৰ্মাণ সম্পূৰ্ণ হৈ নুঠাত ৰাইজে আশ্বৰ্য প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে শেহতীয়াকৈ ডিব্ৰুগড়ৰ এখন ষ্টেডিয়াম ৫ টাকৈ বছৰে সম্পূৰ্ণ হৈ নুঠাত যিদৰে ক্ষুন্ন হৈ ব্যৱস্থা গ্ৰহণৰ কথা উল্লেখ কৰিছে সেইদৰে মাজুলীৰ উক্ত দুয়োখন ষ্টেডিয়ামত নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰে কাৰ ছত্ৰছায়াত নিজ খেয়াল খুচিৰে শামুকীয়া গতিৰে কাম কৰি গৈছে সেয়াও আশ্বৰ্যকৰ বিষয়। অৱশ্যে পোৱা-নোপোৱা, আশা প্ৰত্যাশাৰ মাজেৰেই জীৱন পৰিক্ৰমা যিহেতু চলে কিন্তু ইয়াৰ মাজৰ পৰা নোপোৱাখিনিক বাদ দি পোৱাখিনিক ধৰিলে পূৰ্বৰ মাজুলীৰ ছবি আৰু এতিয়াৰ মাজুলীৰ ছবিৰ মাজত আকাশ-পাতাল পাৰ্থক্য দেখিবলৈ পোৱা যায়। নোপোৱাখিনিৰ বাবেও নতুনে আশাৰ বতৰা আনি দিব বুলিও নৱবৰ্ষৰ প্ৰাক মুহূৰ্তত বিশ্বাসী মাজুলীবাসী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শতায়ু গৰকি শেষ নিশ্বাস ত্যাগ জিমি

প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীয়ে। উল্লেখ্য যে, জিমি কাৰ্টাৰৰ জন্ম হৈছিল জৰ্জিয়া প্ৰদেশত। এগৰাকী বাদাম খেতিয়ক হিচাপে এসময়ত পৰিচিত কাৰ্টাৰে পৰৱৰ্তী সময়ত ৰাজনীতিত প্ৰৱেশ কৰিছিল। জৰ্জিয়াৰ গৱৰ্ণৰ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পিছত তেওঁ হোৱাইট হাউছৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰে আৰু ১৯৭৭ চনৰ পৰা ১৯৮১ চনলৈকে আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে। ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰাই শাৰীৰিক অসুস্থতাৰ বাবে শয্যাগত হৈ পৰিছিল এশ বছৰত ভৰি দিয়া কাৰ্টাৰে। জৰ্জিয়াত থকা বাসগৃহতে বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা চলাই থকা হৈছিল চিকিৎসা। জিমি কাৰ্টাৰৰ পুত্ৰ চিপ কাৰ্টাৰে কয়, "মোৰ দেউতাক কেৱল আমাৰ পৰিয়ালৰ বাবেই নহয়, শান্তি, মানৱতা আৰু নিস্বাৰ্থ প্ৰেমত বিশ্বাস কৰা সকলোৰে বাবেও এজন প্ৰকৃত নায়ক বুলি গণ্য কৰা হয়।" প্ৰণিধানযোগ্য যে, ২০১৫ চনত কাৰ্টাৰৰ ব্ৰেইন কেন্সাৰ ধৰা পৰিছিল। তেতিয়াৰে পৰাই তেওঁৰ চিকিৎসা চলাই থকা হৈছিল। লক্ষণীয় যে, সমগ্ৰ কেৰিয়াৰত মানৱ অধিকাৰ আৰু শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কাৰ্টাৰৰ ভূমিকাক সমগ্ৰ বিশ্বই স্বীকৃতি দি আহিছে। ইজৰাইল আৰু মিচৰৰ মাজত শান্তি স্থাপনৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য আছিল। অৱশ্যে ক্ষমতাত থকা সময়ত খনিজ সংকটকে ধৰি বিভিন্ন বিষয়ত সমালোচনাৰো সন্মুখীন হ'বলগীয়া হৈছিল কাৰ্টাৰ প্ৰশাসন। ২০০২ চনত তেওঁক শান্তিৰ নোবেল বঁটাৰে সন্মানিত কৰা হয়। প্ৰাক্তন ৰাষ্ট্ৰপতি জিমি কাৰ্টাৰৰ বিয়োগত আমেৰিকাৰ ৰাজনৈতিক মহল আৰু বিশ্বৰ নেতাসকলে শোক প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্ত নিযুক্ত

আঁতৰাই গুৱাহাটীৰ আৰক্ষীৰ আয়ুক্তৰ দায়িত্ব দিয়া হৈছে মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ আৰক্ষী বিষয়া পাৰ্থ সাৰথি মহন্তক। দিগন্ত বৰাক আৰক্ষীৰ বিশেষ শাখালৈ বদলি কৰা হৈছে। আজি ৰাজ্যৰ গৃহ বিভাগে প্ৰকাশ কৰা নিৰ্দেশনা অনুসৰি এতিয়াৰে পৰা এছটিএফৰ মুৰব্বীৰ পৰিৱৰ্তে গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হ'ব পাৰ্থ সাৰথি মহন্ত। শেহতীয়াকৈ দিগন্ত বৰা আঘাতপ্ৰাপ্ত হৈছিল। ১৮ ডিচেম্বৰত কংগ্ৰেছে 'ৰাজভৱন চলো' যাত্ৰা কৰাৰ সময়ত কংগ্ৰেছৰ প্ৰতিবাদকাৰীক বাধা প্ৰদান কৰাৰ সময়তে আঘাতপ্ৰাপ্ত হৈছিল দিগন্ত বৰা। বৰাৰ সোঁ-ভৰিৰ লিগামেণ্ট ছিঙি গৈছিল বুলি জানিব পৰা গৈছে। পাৰ্থ সাৰথি মহন্ত ১৯৯৯ বেচ্ছৰ আইপিএছ। পূৰ্বে গুৱাহাটীত যুটীয়া আৰক্ষী আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল মহন্তই। পাৰ্থ সাৰথি মহন্তক উপ-আৰক্ষী মহাপৰিদৰ্শকক (ডিআইজি) পদবীৰ পৰা আৰক্ষী মহাপৰিদৰ্শক (আইজিপি) পদলৈ পদোন্নতি দিয়া হৈছিল। আনহাতে আন কেবাগৰাকী জ্যেষ্ঠ আৰক্ষী বিষয়াক আজি ৰদ-বদল কৰা হৈছে। আৰক্ষী বিষয়া অখিলেশ কুমাৰ সিঙক সিঙক আৰক্ষীৰ মুখ্য কাৰ্যালয়লৈ বদলি কৰা হৈছে। লাচিত বৰুৱাক বিশেষ শাখাৰ আইজিপি পদৰ পৰা অব্যাহতি দিয়া হৈছে। লাচিত বৰুৱাক এ.পি. ষ্টেট হাউচিং কৰ্পোৰেচন লিমিটেডৰ পৰিচালন সঞ্চালকৰ দায়িত্ব দিয়া হৈছে। আইজিপি বিবেক সিঙক ট্ৰেইনিং এণ্ড আৰ্ম পুলিচ শাখালৈ বদলি কৰা হৈছে। অতিৰিক্ত বিটিআৰৰ আইজিপিৰ দায়িত্ব দিয়া হৈছে সিঙক। আইন-শৃংখলা শাখাৰ আইজিপি প্ৰশান্ত কুমাৰ ভূঞাক বদলি কৰা হৈছে। আইজিপি এডমিন পদলৈ বদলি কৰা হৈছে প্ৰশান্ত কুমাৰ ভূঞাক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি নেতাৰ প্ৰহাৰত প্ৰাণ হেৰুওৱা

যুৱকক হত্যা কৰাৰ অভিযোগৰ মাজতে ছয়দিনৰ মূৰকত আজি যুৱকজনৰ মৃতদেহ হাত-ভৰি বন্ধা অৱস্থাত এটা পুখুৰীত উদ্ধাৰ হয়। বিজেপি নেতাই যুৱকজনক প্ৰথমে বৰ্বৰভাৱে প্ৰহাৰ, তাৰ পিছতে হত্যা কৰাৰ অভিযোগৰ মাজতে মৃতদেহ উদ্ধাৰ হোৱাত সমগ্ৰ ৰঙিয়া অঞ্চলত চেপা উত্তেজনাই বিৰাজ কৰিছে। প্ৰাপ্ত বাতৰি মতে, বিজেপি নেতাৰ গাড়ীত খুন্দা লগাত নিৰীহ যুৱকক বৰ্বৰভাৱে প্ৰহাৰৰ পিছতে ২৫ ডিচেম্বৰৰ পৰা নিৰুদ্দেশ হৈ থকা ৰঙিয়াৰ যুৱক ধৰ্মেন্দ্ৰ নাথৰ মৃতদেহ আজি পুৱাৰভাগত হাত-ভৰি বান্ধি থোৱা অৱস্থাত পুখুৰীত উদ্ধাৰ হয়। ৰঙিয়াৰ বৰদল গাঁৱৰ নিৰীহ যুৱক ধৰ্মেন্দ্ৰ নাথৰ আজি মৃতদেহ উদ্ধাৰৰ পিছতে সমগ্ৰ ৰঙিয়া অঞ্চলত নিৰাপত্তা বৃদ্ধি কৰা হৈছে। ৰঙিয়া সমষ্টিৰ বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ ঘনিষ্ঠ বুলি চৰ্চিত হিমাংশু কাকতি, হিমাংশু কাকতি, অমূল্য কাকতি, মণি কাকতিসহ ১২জন ৰঙিয়াৰ বিজেপি নেতাই এই কাণ্ড সংঘটিত কৰাৰ অভিযোগ উঠিছে। আজি ৰঙিয়াৰ খৈৰাবাৰীৰ মালধাপাৰা এলেকাত মৃতদেহ উদ্ধাৰ হোৱা ঠাইত হাজাৰ হাজাৰ লোক সমবেত হৈ দোষীক উচিত শাস্তি প্ৰদানৰ দাবী জনাইছে। মৃতদেহ উদ্ধাৰ হোৱা ঠাইত ধৰ্মেন্দ্ৰ নাথৰ মাতৃ উপস্থিত হৈ পুত্ৰক অকালতে হেৰুৱাই শোকত ভাগি পৰে। ইফালে, মৃতদেহ উদ্ধাৰৰ পিছতে পুনৰ উত্তপ্ত হৈ পৰে ৰঙিয়া আৰক্ষী থানা। থানাৰ সন্মুখত উপস্থিত হৈ শ-শ লোকে এয়া পৰিকল্পিত হত্যাকাণ্ড আখ্যা দি ঘটনাত জড়িত সকলো অভিযুক্তক গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনায়। গ্ৰেপ্তাৰ হোৱা দুই অভিযুক্ত হিমাংশু কাকতি আৰু অমূল্য লহকৰৰ লগতে ঘটনা সংঘটিত কৰাৰ সময়তে একেলগে থকা আন আটাইকেইজন অভিযুক্তক গ্ৰেপ্তাৰৰ দাবী জনাই ৰাইজে। পৰিয়ালে বিজেপি নেতাকেইগৰাকীৰ নাম উল্লেখ কৰি ৰঙিয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ৰঙিয়া আৰক্ষী থানাত শ-শ লোকে সমৱেত হৈ দোষীক শাস্তি প্ৰদানৰ দাবী জনোৱাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ৰঙিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অজয় বৰ্মনে ঘটনাৰ তদন্তত খেলি-মেলি কৰাৰ লগতে অভিযুক্তক ৰক্ষণা-বেক্ষণ দিয়াৰ অভিযোগ উঠিছিল। বিজেপিৰ নেতা হোৱাৰ বাবে এজাহাৰ নোলোৱাৰ অভিযোগ উত্থাপন হৈছিল। তাৰ মাজতে আজি ভাৰপ্ৰাপ্ত বিষয়া অজয় বৰ্মনক শাস্তিমূলক বদলি কৰিছে অসম আৰক্ষীয়ে। একেখন জিলাৰ অন্তৰ্গত হাজো আৰক্ষী থানালৈ বদলি কৰা হয় বৰ্মনক। গ্ৰেপ্তাৰ হোৱা দুই অভিযুক্ত হিমাংশু কাকতি আৰু অমূল্য লহকৰক আজি ৰঙিয়া মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। আদালতে দুই অভিযুক্তক ৫ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, ২৫ ডিচেম্বৰত ৰঙিয়াৰ খৈৰাবাড়ীৰ মালধাপাৰাৰ আশ্ৰমত বনভোজ খাবলৈ যোৱাৰে পৰা সন্ধানহীন হৈ আছিল ধৰ্মেন্দ্ৰ নাথ। বনভোজ শেষ হোৱাৰ পিছত এগৰাকী বিজেপি নেতাৰ বাহনত বাইকেৰে খুন্দা মাৰিছিল ধৰ্মেন্দ্ৰ নাথে। ইয়াৰ পিছতে ধৰ্মেন্দ্ৰ নাথক বিজেপি নেতাসহ ১২ যুৱকে। আনকি কাজিয়া ভাঙিবলৈ যোৱা এজন যুৱককো প্ৰহাৰ কৰিছিল। সেই যুৱকজনে কোনোমতে নিজক বচাই ঘটনাস্থলীৰ পৰা পলায়ন কৰে যদিও ধৰ্মেন্দ্ৰ নাথ সন্ধানহীন হৈ পৰে। ইয়াৰ মাজতে ৰাইজে ৰঙিয়া চহৰত ধৰ্মেন্দ্ৰক উদ্ধাৰৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছিল। ২৯ ডিচেম্বৰত ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত শাসকীয় বিজেপিৰ সৈতে জড়িত হিমাংশু কাকতি আৰু অমূল্য লহকৰক গ্ৰেপ্তাৰ কৰে। কিন্তু বাকীসকল অভিযুক্তৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত আৰক্ষীৰ বিৰুদ্ধে ক্ষুব্ধ হৈ পৰিছে ৰঙিয়াৰ ৰাইজ। ইফালে, নিশাৰ ভাগত ধৰ্মেন্দ্ৰ হত্যাকাণ্ডত জড়িত আন ৪জন অভিযুক্তক আৰক্ষীৰ জালত পৰিছে। এই ৪ অভিযুক্ত হৈছে মণি কাকতি, অনুস্ময় কলিতা, বিকি লহকৰ আৰু নিতু কলিতা। ইয়াৰ পূৰ্বে হিমাংশু কাকতি আৰু অমূল্য লহকৰ গ্ৰেপ্তাৰ কৰিছিল ৰঙিয়া আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশত সংবিধান সলাবলৈ সাজু

গণঅভ্যুত্থানৰ ঘোষণাপত্ৰ’ প্ৰকাশ কৰিব বৈষম্যবিৰোধী ছাত্ৰ আন্দোলনে। এই ঘোষণাপত্ৰৰ জৰিয়তে বংগবন্ধু শ্বেখ মুজিবুৰ ৰহমানৰ যুগৰ সংবিধান বিলুপ্তিৰ লগতে ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনক অপসাৰণ কৰাৰ দাবী উত্থাপন কৰা হৈছে। দেওবাৰে ছাত্ৰ আন্দোলনৰ নেতাসকলে ঢাকাৰ বাংলা মটৰছত থকা তেওঁলোকৰ কেন্দ্ৰীয় কাৰ্যালয়ত এক সংবাদমেল অনুষ্ঠিত কৰি ঘোষণাপত্ৰৰ বিষয়বস্তু প্ৰকাশ কৰে। আন্দোলনৰ অন্যতম সমন্বয়ক হাছনাত আব্দুল্লাই কয়, "আমি বিচাৰোঁ যে মুজিববাদী সংবিধান বাতিল ঘোষণা কৰা হওক। ফেচিষ্ট আৱামি লীগৰ শাসন অন্ত পৰক।" ছাত্ৰ নেতাসকলে বংগবন্ধুৰ যুগৰ সংবিধান বাতিল কৰি নতুন ৰাজনৈতিক আন্তঃগাঁথনি সৃষ্টিৰ দাবী উত্থাপন কৰিব বুলি জানিবলৈ দিয়ে। ইফালে ছাত্ৰ আন্দোলনৰ এই ঘোষণাপত্ৰ সন্দৰ্ভত সতৰ্ক স্থিতি গ্ৰহণ কৰিছে ইউনুছ চৰকাৰে। চৰকাৰী প্ৰেছ সচিব ছফিকুল আলমে কয় যে ছাত্ৰ-ছাত্ৰীৰ সিদ্ধান্ত সম্পূৰ্ণৰূপে নিজৰ। তেওঁ কয়, "চৰকাৰৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই।" প্ৰণিধানযোগ্য যে, যোৱা অক্টোবৰ মাহত দেশত শ্বেখ হাছিনাৰ পদত্যাগৰ দাবীত আন্দোলন আৰম্ভ হৈছিল। ৰাষ্ট্ৰপতি শ্বাহাবুদ্দিনে পদত্যাগৰ কোনো নথি নোপোৱাৰ কথা ঘোষণা কৰাৰ পিছত পৰিস্থিতি আৰু অধিক উত্তপ্ত হৈ পৰে। ছাত্ৰ আন্দোলনে ঢাকাৰ বংগভৱন ঘেৰাও কৰাৰ পৰা আৰম্ভ কৰি মশ্বাল জ্বলাই শোভাযাত্ৰালৈকে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে। অন্যহাতে ইউনুছ চৰকাৰ ক্ষমতালৈ অহাৰ পিছৰে পৰা মুজিব আৰু হাছিনাৰ নামেৰে নামাকৰণ কৰা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু স্মৃতিসৌধ আঁতৰোৱাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এইবাৰ মুজিবৰ সংবিধান বাতিলৰ দাবীক লৈ ৰাজনৈতিক মহলত উত্তেজনা বৃদ্ধি পাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাৰিখন গাঁও বাল্য বিবাহ মুক্ত!

অভিযান চলাই বাল্যবিবাহ কৰোৱা ৪১৬গৰাকী লোকক গ্ৰেপ্তাৰ কৰি ৩৩৫টা গোচৰ ৰুজু কৰিছিল অসম আৰক্ষীয়ে। স্থানীয় গাঁওবুঢ়া, গাঁওৰক্ষী বাহিনীৰ সহযোগত মধ্য অসম আৰু নামনি অসমৰ কেবাখনো জিলাত চলোৱা অভিযানত চাৰি শতাধিক পুৰুষক বাল্যবিবাহ কৰোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। ২১ ডিচেম্বৰৰ পৰা চলা প্ৰায় অভিযানত ৪১৬গৰাকী লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ৩৩৫টা গোচৰ ৰুজু কৰা হৈছিল। এই অভিযানত বিবাহৰ যোগ্য নোহোৱা কন্যাক বিয়া কৰোৱা লোকসকলক টাৰ্গেট কৰি লোৱা হৈছিল। ৰাজ্য চৰকাৰে বেআইনী বিবাহৰ পৰম্পৰাৰ বিৰুদ্ধে আইন বলবৎ কৰিছে। তাৰ মাজতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আন খবৰ সামাজিক মাধ্যম যোগে ঘোষণা কৰিছে। ৰাজ্যৰ চাৰিখন গাঁৱক প্ৰথমবাৰ 'বাল্য বিবাহ মুক্ত' গাঁও ঘোষণা কৰিছে মুখ্যমন্ত্ৰীয়ে। কাছাৰ জিলাৰ চাৰিখন গাঁৱক 'বাল্য বিবাহ মুক্ত' গাঁও বুলি ঘোষণা কৰা হৈছে। পালংহাট উন্নয়ন খণ্ডৰ ৰুকনি চতুৰ্থ খণ্ড, কালাইন উন্নয়ন খণ্ডৰ ভৈৰবপুৰ প্ৰথম খণ্ড, টাপাং উন্নয়ন খণ্ডৰ ৰোজেকেণ্ডি প্ৰথম খণ্ড, টাপাং উন্নয়ন খণ্ডৰ ৰোজেকাণ্ডি দ্বিতীয় খণ্ডক বাল্য বিবাহ মুক্ত গাঁও ঘোষণা কৰা হৈছে। মুখ্যমন্ত্ৰী মহন্ত বিশ্ব শৰ্মাই এই সাফল্যক প্ৰশংসা কৰি কয় যে আমি ৰাজ্যজুৰি এই সামাজিক অশুভ শক্তিৰ কফিনত শেষ গজাল মাৰিছো। বেটি বচাও বেটি পঢ়াও উদ্যোগৰ (২০২৩-২৪) অধীনত গাঁওসমূহক সামাজিক অশুভ শক্তিৰ পৰা মুক্ত ঘোষণা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে এটা ভিডিঅ'ৰ জৰিয়তে কয় যে অসমকে ধৰি ভাৰতত বাল্য বিবাহ এক নিৰন্তৰ সমস্যা। এই প্ৰথাই কন্যাসকলৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে। চৰকাৰৰ পদক্ষেপৰ উদ্দেশ্য হৈছে সজাগতা বৃদ্ধি কৰা। আইনী ব্যৱস্থা শক্তিশালী কৰা আৰু কন্যাৰ জীৱন উন্নত কৰাত সহায় কৰা। এই বছৰ কাছাৰৰ চাৰিখন গাঁৱক বাল্য বিবাহ মুক্ত বুলি ঘোষণা কৰাটোৱে অসম চৰকাৰৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰিছে। অসম আৰু সমগ্ৰ দেশৰ আন জিলাসমূহৰ বাবে এক ইতিবাচক উদাহৰণ স্থাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাছখোৱাত বিটিআৰৰ ভিজন ডকুমেণ্ট

প্ৰায় ২৬ টাকৈ জনগোষ্ঠীক লৈ প্ৰস্তুত কৰা হৈছে এই ভিজন ডকুমেণ্ট। বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ নেতৃত্বত বিটিআৰ অঞ্চলত বসবাস কৰা সৰু-বৰ জাতি-জনগোষ্ঠীৰ সমস্যাসমূহ সমাধান কৰা ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবলৈ ভিজন ডকুমেণ্ট মুকলি কৰা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই ভিজন ডকুমেণ্ট মুকলি কৰে। বড়ো জনগোষ্ঠীৰ প্ৰতিনিধিৰ লগতে আদিবাসী, মুণ্ডা, মুছলমান, হিন্দী ভাষী, নাথ যোগী, বৰ্মন কছাৰী, কলিতা, জোলহা, কোঁচ-ৰাজবংশী, বঙালী, দেশী, গৰিয়া, সূত্ৰধৰ, মাদাহি কছাৰী, গোৰ্খা, ওৰাং, কেওট, ওড়িয়া, চাম্বাল, শৰণীয়া-কছাৰী, ৰাভা, হাজং আৰু গাৰো আজি জনগোষ্ঠীৰ প্ৰতিনিধিৰ উপস্থিতিত ভিজন ডকুমেণ্ট মুকলি কৰা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বিটিআৰত উন্নয়নৰ সূচনা হোৱাত বড়ো শান্তি চুক্তিক প্ৰশংসা কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ৪ বছৰ পূৰ্বে স্বাক্ষৰিত শান্তি চুক্তিয়ে সেই অঞ্চলটোৰ বিভিন্ন সম্প্ৰদায়সমূহৰ মাজত হিংসা, হত্যা আৰু ব্যাপক ঘৃণাৰ অন্ধকাৰ দিনৰ সমাপ্তি ঘটাই শান্তি আৰু আশাৰ সূচনা কৰিছে বুলি কয়। কেন্দ্ৰ, ৰাজ্য চৰকাৰ আৰু বিভিন্ন বড়ো গোটৰ মাজত ২০২০ চনৰ ২৭ জানুৱাৰীত ত্ৰিপাক্ষিক বড়ো শান্তি চুক্তি স্বাক্ষৰিত হোৱাৰ প্ৰসংগ উল্লেখ কৰি ৰাজ্যপাল আচাৰ্যই কয় যে শান্তি চুক্তি স্বাক্ষৰ আছিল ঐতিহাসিক। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অঞ্চলটোত শান্তি আৰু উন্নয়ন অনাৰ বাবে লোৱা এক পদক্ষেপ। প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰা পদক্ষেপক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিটিআৰ মুৰব্বী প্ৰমোদ বড়োৱে ৰূপায়ণ কৰিছে। বিটিআৰৰ যুৱক-যুৱতীসকল মূলসুঁতিলৈ উভতি আহিছে। যোৱা চাৰি বছৰ ধৰি অঞ্চলটোত কোনো হিংসাত্মক ঘটনা সংঘটিত হোৱা নাই। কিয়নো চৰকাৰে শান্তি, নিৰাপত্তা আৰু উন্নয়নক অগ্ৰাধিকাৰ দিছে। প্ৰমোদ বড়োৰ অধীনত পৰিষদখনে জনসাধাৰণৰ কল্যাণ কৰিছে বুলি প্ৰকাশ কৰি ৰাজ্যপালগৰাকীয়ে আৰু কয় যে সংস্থাপন, স্থায়ী শান্তি আৰু সম্প্ৰীতি নিশ্চিত কৰাৰ বাবে উন্নয়ন আৰম্ভ কৰিছে। বিটিআৰ মুৰব্বী প্ৰমোদ বড়োৱে ভাষণ প্ৰদান কৰি বড়োলেণ্ডত বসবাস কৰা সকলো সম্প্ৰদায়ৰ অংশীদাৰী আকাংক্ষাৰ কথা মনত ৰাখি কমিউনিটি ভিজন ডকুমেণ্ট প্ৰস্তুত কৰা হৈছে বুলি কয়। প্ৰমোদ বড়োৱে কয় যে দস্তাবেজখনত বিটিআৰৰ সংখ্যাগৰিষ্ঠ বড়ো জনজাতিৰ জনসংখ্যাৰ সৈতে একেলগে থকা ২৬সম্প্ৰদায়ৰ আশা-আকাংক্ষা অন্তৰ্ভুক্ত কৰা হৈছে। কেইবা দশকধৰি বিভিন্ন প্ৰত্যাহ্বানৰ স্বত্বেও অঞ্চলটোৰ জীৱন্ত সাংস্কৃতিক গাঁথনি এক হৈ আছে। 'ভিজন ডকুমেণ্টখনে ২৬ টা সম্প্ৰদায়ৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰিব আৰু একতা আৰু বৈচিত্ৰ্যৰ ভাৱনা বজাই ৰাখি অঞ্চলটো শান্তি আৰু সামগ্ৰিক বিকাশৰ দিশত আগবাঢ়ি যোৱাটো নিশ্চিত কৰাৰ লক্ষ্য লোৱা হৈছে বুলিও কয় বড়োৱে। বড়োৱে আৰু কয় যে ভিজন ডকুমেণ্টখন কেৱল এক নীতিগত পৰিকাঠামোতকৈ অধিক কিয়নো ই বিটিআৰৰ প্ৰতিটো সম্প্ৰদায়ৰ কণ্ঠস্বৰ প্ৰতিনিধিত্ব কৰিছে। যাতে কোনেও পিছ পৰি নাথাকে। অঞ্চলটোৱে বিগত বছৰবোৰত অৰ্থনৈতিক অনুন্নয়ন, নৱ প্ৰজন্মৰ বাবে নিযুক্তিৰ সুযোগৰ অভাৱ আৰু সামাজিক বৈষম্যৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। ভিজন ডকুমেণ্টে এই প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিবলৈ। সমগ্ৰ অঞ্চলটোত বিকাশ আৰু সমৃদ্ধিৰ বাবে এক স্পষ্ট ৰোডমেপ প্ৰদান কৰাৰ এক পদক্ষেপ। এই নথিৰ উদ্দেশ্য হৈছে উন্নয়নমূলক পথ প্ৰদৰ্শন কৰা আৰু শিক্ষা, স্বাস্থ্য, জীৱিকা আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত এক কৌশলগত দিশ প্ৰদান কৰা। বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ লগতে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী অতুল বৰা, ডাঃ ৰণোজ পেগু, ৰঞ্জিৎ কুমাৰ দাস, অশোক সিংঘাল উপস্থিত থাকে। কেইবাখনো বিশ্ববিদ্যালয়ৰ উপাচাৰ্য উপস্থিত থকাৰ লগতে ৰাজ্য চৰকাৰ আৰু বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্ব শৰ্মাক ফ্লাইঅভাৰ চিএম

গগৈয়ে অফলামুখ ঘাটেৰে বিয়লি ১.৩০ বজাত মাজুলীত উপস্থিত হৈ পোনেই যোৰহাট-মাজুলী সংযোগী দলং পৰিদৰ্শন কৰে। বৰ্তমান স্থবিৰ হৈ থকা দলঙখনৰ সামগ্ৰিক দিশৰ ওপৰত নিৰ্মাণস্থলীত থকা একাংশ কৰ্মচাৰীৰ পৰা বুজ লৈ সাংসদগৰাকীয়ে সাংবাদিকৰে মুখামুখি হৈ কয় যে গুৱাহাটীত ফ্লাইঅভাৰ বনাই ত'ত পোৱা নাই। অসমৰ মুখ্যমন্ত্ৰী হৈছে ফ্লাইঅভাৰ মুখ্যমন্ত্ৰী। ফ্লাইঅভাৰৰ বাহিৰে তেওঁলোকে আন একো কৰিব পৰা নাই। আকৌ নিৰ্বাচনৰ সময়ত ডাবল ইঞ্জিনৰ চৰকাৰ বুলি প্ৰচাৰ কৰে। যোৰহাট-মাজুলী সংযোগী দলঙখনৰ নিৰ্মাণকাৰ্য প্ৰায় চাৰিমাহে বন্ধ হৈ আছে। বেছিদিন হোৱাই নাই কাম আৰম্ভ হোৱা। কিন্তু পুনৰ নিবিদা দিবৰ হ'লেই। এবাৰ এটা প্ৰকল্প যদি বন্ধ হৈ যায়, সেই প্ৰকল্পটো উদ্ধাৰ কৰিবলৈ যথেষ্ট টান বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। তেওঁ আৰু কয় যে ক'ৰবাত চৰকাৰে নিজৰ স্বাৰ্থত কাম কৰি আছে। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে বিভিন্ন প্ৰতিশ্ৰুতি দি থাকে, কিন্তু সেই প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা নাই। নীতিন গাডকাৰীক প্ৰত্যাহ্বান জনায় সাংসদ গগৈয়ে কয় যে নীতিন গাডকাৰীয়ে কোৱাৰ দৰে যোৰহাট-শিৱসাগৰ চাৰিলেনযুক্ত পথৰ কাম আগন্তুক ফেব্ৰুৱাৰীত কেতিয়াও সম্পূৰ্ণ নহয়। লগতে গৌৰৱ গগৈয়ে প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙক বিজেপি চৰকাৰে অপমানিত কৰিছে বুলি কয়। তেওঁ কয় যে ডঃ সিঙৰ সমাধিস্থলৰ বাবে কংগ্ৰেছে লিখিতভাৱে দাবী জনাইছিল যদিও প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ সমাধিস্থলৰ বাবে এডোখৰ উপযুক্ত স্থান নিদিলে চৰকাৰে। তেওঁ আৰু কয় যে প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ বাবেও গুৱাহাটীত সমাধি ক্ষেত্ৰৰ বাবে এডোখৰ ঠাই দিবলৈ চৰকাৰক অনুৰোধ জনোৱা হৈছিল যদিও তেতিয়াৰ চৰকাৰে সেই অনুৰোধ ৰক্ষা কৰা নাছিল। এয়া হৈছে বিজেপিৰ চৰিত্ৰ। ৰাজনীতি ইমান নিম্ন স্তৰলৈ নিব নালাগে। ইফালে বাবা চাহেব আম্বেদকাৰ সন্দৰ্ভত অমিত শ্বাহে কৰা অপমানসূচক মন্তব্যক লৈও তেওঁ তীব্ৰ গৰিহণা জনায়। গগৈয়ে পতিয়া গাঁও শিৱ মন্দিৰত সেৱা লৈ মাজুলীৰ উদীয়মান বিশ্ব বডী বিল্ডিঙত সোণৰ পদক লাভ কৰা মাজুলীৰ পুৰণিবাৰীস্থিত পবিত্ৰ নাথৰ ঘৰত উপস্থিত হৈ খেলুৱৈগৰাকীক উৎসাহিত কৰাৰ লগতে মাজুলীৰ সদ্যপ্ৰয়াত বিশিষ্ট ব্যৱসায়ী পানীৰাম কলিতাৰ গৃহতো উপস্থিত হৈ পৰিয়ালৰে দুখৰ সমভাগী হয়। ইফালে আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত গগৈয়ে মাজুলীৰ একাংশ স্থানীয় ব্যক্তিৰ গৃহলৈ যোৱাৰ এক বিশেষ জনসংযোগৰ কাৰ্যসূচী হাতত লোৱাই বিশেষ তাৎপৰ্যবহন কৰিছে। মঙলবাৰে পুৱাই মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰ দৰ্শন কৰাৰ পিছতেই তেওঁ মাজুলীৰ পৰা ৰাওনা হ'ব বুলি জানিব পৰা গৈছে।

# অৱশেষত ৪০ বছৰ পিছত গাঁৱলৈ মনত পৰিছে অতুল-কেশৱৰ!

**ই-সংবাদ, ৩০ ডিচেম্বৰঃ** ৪০টা বছৰৰ পিছত গাঁৱলৈ মনত পৰিছে অতুল বৰা আৰু কেশৱ মহন্তৰ। অসম গণ পৰিষদ দলক গাঁৱলৈ নিবলৈ সাজু হৈছে দুই শীৰ্ষ নেতা। অগপৰ সভাপতি অতুল বৰাই অগপৰ সংগঠন শক্তিশালী কৰিবলৈ নতুন বছৰত এই অংগীকাৰ কৰা বুলি উল্লেখ কৰিছে। আজি এখন সংবাদমেলত অতুল বৰাই কয় যে ২০২৫ বৰ্ষৰ আৰম্ভণিৰে পৰা আমাৰ লক্ষ্য হৈছে ৰাজ্যখনত প্ৰগতিশীল আঞ্চলিকতাবাদৰ ধাৰাটোক অধিক সবল ৰূপ প্ৰদান কৰা। 'গাঁৱে গাঁৱে অগপ, চহৰে নগৰে অগপ' শীৰ্ষক অভিযানৰ পৰিকল্পনা কৰা হৈছে। লগতে নতুন বছৰটোক মাতৃভাষা বৰ্ষ হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি ইংৰাজী নতুন বছৰটোত দুটা লক্ষ্য লোৱাৰ সদৰী কৰিছে সভাপতি অতুল বৰাই। ৰাজ্যখনৰ সকলো খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ মাতৃভাষাৰ বিকাশৰ লগতে সকলো জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়, একতা আৰু সম্ভাৱ ৰক্ষা কৰাটো অসম গণ পৰিষদ দলৰ মূল লক্ষ্য বুলিও কয় বৰাই। অতুল বৰাই কয় যে ছবছৰজোৰা ঐক্যবদ্ধ গণ সংগ্ৰামৰ স্বৰ্ণিল ইতিহাসেৰে সমৃদ্ধ অগপ একমাত্ৰ আঞ্চলিক ৰাজনৈতিক দল যাৰ শিপাৰ বিস্তৃতি সমগ্ৰ ৰাজ্যব্যাপি।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত শ্বহীদ দিৱস পালন আটাছুৰ

নৃশংসভাৱে হত্যা কৰিছিল। নিজৰ জনগোষ্ঠীটোক নিস্বাৰ্থভাৱে ভালপোৱা ডিম্বেশ্বৰ গগৈক কিয় হত্যা কৰিছিল আজিলৈকে আলফাই স্পষ্ট নকৰিলে। আমি প্ৰত্যাহ্বান জনাইছো, আলফাই সেই কথা স্পষ্ট কৰক। হত্যাকাৰী কিছুমানকে পৰৱৰ্তী পৰ্যায়ত কিছুমানে গামোচা পিন্ধাই আদৰণি জনাইছিল। সেই সকলো নিৰ্লজ্জ। আলফাক আমি কেতিয়াও ক্ষমা কৰিব নোৱাৰো।'- আজি সদৌ টাই আহোম ছাত্ৰ সন্থাই কেন্দ্ৰীয়ভাৱে শিৱসাগৰত উদযাপন কৰা ৩৫ সংখ্যক শ্বহীদ দিৱসত এই মন্তব্য কৰে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি মিলন বুঢ়াগোঁহাইয়ে। তেওঁ লগতে আৰু কয় যে আজিৰ দিনটো আমাৰ টাই আহোম ছাত্ৰ সন্থাৰ বাবে দুৰ্ভাগ্যজনক দিন। কাৰণ ৩০ ডিচেম্বৰৰ দিনটোতে আটাছুৰ প্ৰতিষ্ঠাপক মুখ্য সাংগঠনিক সম্পাদক ডিম্বেশ্বৰ গগৈৰ উৰলি যোৱা মৃতদেহ উদ্ধাৰ হৈছিল। আটাছুৱে শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি উলিওৱা শোভাযাত্ৰাত অংশগ্ৰহণ কৰি মিলন বুঢ়াগোঁহাইয়ে ইয়াৰ উপৰিও অসমৰ সকলো খিলঞ্জীয়া জাতি-জনগোষ্ঠী এক হৈ স্বৰ্গদেউ চাওলুং চুকাফাই দেখুৱাই যোৱা আদৰ্শৰে আগবাঢ়ি যোৱাতো উচিত বুলি ব্যক্ত কৰে। কেইবা শতাধিক ৰাইজৰ অংশগ্ৰহণেৰে টাই আহোম সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ পৰা উলিওৱা শোভাযাত্ৰাৰ পিছতে শিৱসাগৰ ছোৱালী কলেজৰ চৌহদত মুকলি সভা অনুষ্ঠিত কৰে। এই অনুষ্ঠানতে নাগালেণ্ড চৰকাৰৰ উচ্চ শিক্ষা বিভাগ আৰু পৰ্যটন বিভাগৰ কেবিনেট মন্ত্ৰী টেমজেন ইমনা আলঙক 'ডামচাও ডিম্বেশ্বৰ গগৈ সোঁৱৰণী সমন্বয় বঁটা' প্ৰদান কৰা হয়। বঁটা হিচাপে টাই আহোম জনগোষ্ঠীৰ অংগবস্ত্ৰ, সম্বৰ্ধনা পত্ৰ আৰু এখনি হেংদাং আগবঢ়োৱা হয়। বঁটা গ্ৰহণ কৰি নাগালেণ্ডৰ মন্ত্ৰীগৰাকীয়ে আহোম আৰু নগা সমাজৰ ঐতিহাসিক সম্পৰ্কৰ কথা সোঁৱৰণ কৰি এই সম্পৰ্ক অনাদি অনন্তকাললৈ বৰ্তি থাকিব বুলি মন্তব্য কৰে। অসমলৈ আহি টাই আহোম সমাজৰ পৰা এই সন্মান লাভ কৰি তেওঁ অভিভূত হৈ পৰাৰ কথাও ভাষণ প্ৰসংগত উল্লেখ কৰে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কথাও ক'বলৈ নাপাহৰিলে মন্ত্ৰীগৰাকীয়ে। ভৱিষ্যতে ঐতিহাসিক শিৱসাগৰ নগৰত অসম চৰকাৰ তথা নাগালেণ্ড চৰকাৰৰ লগত যৌথভাৱে কিছু সাংস্কৃতিক অনুষ্ঠান আয়োজনৰ আশ্বাস প্ৰদান কৰে। আটাছুৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক ভাস্কৰজ্যোতি বৰগোঁহাইয়ে অনুষ্ঠানটি আঁত ধৰি আলফাই ডিম্বেশ্বৰ গগৈক হত্যা কৰি যি ভুল, যি অপৰাধ কৰিলে তাৰ কোনো ক্ষমা নাই বুলি মন্তব্য কৰে। ইয়াৰ উপৰিও সন্ত্ৰাসে কেতিয়াও শান্তি আনিব নোৱাৰে বুলি উল্লেখ কৰি আটাছুৱে সদায়ে শান্ত, সম্প্ৰীতি গঢ়ি তোলাত গুৰুত্ব দি অহা বুলি দোহাৰে। আহোম জনগোষ্ঠীৰ সম বিকাশ, সম অধিকাৰ হোৱাতো বিচাৰো বুলিও উল্লেখ কৰি ভাস্কৰ জ্যোতি বৰগোঁহাইয়ে কয়, "আহোম জনগোষ্ঠীক চৰকাৰে অচিৰেই জনজাতিকৰণৰ মৰ্যদা দিয়ক। আহোম জনগোষ্ঠীৰ ৰাজনৈতিক অধিকাৰ, অৰ্থনৈতিক অধিকাৰ সুৰক্ষিত কৰিব লাগিব চৰকাৰে।" পুৱা পতাকা উত্তোলন, মৈডাম তৰ্পণ কৰাৰ পিছতে বান-ফি পূজাৰে ছহিদ তথা প্ৰয়াতসকলক সকলক স্মৰণ কৰা হয়। সভাত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।



নাগালেণ্ডৰ কেবিনেট মন্ত্ৰী টেমজেন ইমনা আলঙলৈ 'ডামচাও ডিম্বেশ্বৰ গগৈ সোঁৱৰণি সমন্বয় বঁটা', ফটোঃ ই-সংবাদ, শিৱসাগৰ

# কৃষকৰ বন্ধৰ আহ্বানত স্তব্ধ পঞ্জাৱ-দিল্লী

**চণ্ডীগড়, ৩০ ডিচেম্বৰঃ** কৃষকৰ দাবী প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ উদাসীনতাৰ বিৰুদ্ধে পুনৰ আন্দোলনৰ পথত আগবাঢ়িছে দেশৰ অন্নদাতা কৃষক। দীৰ্ঘসময়ৰ পৰা কৃষকসকলে উত্থাপন কৰি অধিকাৰৰ দাবী মোদী চৰকাৰে আওকান কৰাৰ বিৰুদ্ধে সোমবাৰে পঞ্জাৱত বন্ধৰ আহ্বান জনাইছিল কৃষকে। সোমবাৰৰ দিনটোত এই বন্ধৰ প্ৰভাৱত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত স্বাভাৱিক জীৱন ব্যাহত হৈ পৰা পৰিলক্ষিত হয়। একে সময়তে এই বন্ধৰ পৰিপ্ৰেক্ষিতত ২২১খন ৰে'লৰ সেৱা বাতিল কৰিবলগীয়া হয়। সংযুক্ত কিষাণ মৰ্চা (অৰাজনৈতিক) আৰু কিষাণ মজদুৰ মৰ্চাৰ আহ্বানত পুৱা ৭ বজাৰ পৰা বিয়লি ৪ বজালৈ পালন কৰা হয় বন্ধ। এই সময়ছোৱাত কৃষকসকলে জলন্ধৰ-দিল্লী ৰাষ্ট্ৰীয় ঘাইপথ, অমৃতসৰ-দিল্লী ঘাইপথ, আৰু মোহালীৰ বিমানবন্দৰ পথত প্ৰতিবাদ সাব্যস্ত কৰে। অৱশ্যে এই বন্ধৰ পৰিসৰৰ বাহিৰত ৰখা হয় জৰুৰীকালীন সেৱা। ইফালে কৃষকে আহ্বান কৰা এই বন্ধৰ সময়ছোৱাত আইন-শৃংখলা বজাই ৰাখিবলৈ মোহালীত মোতায়েন কৰা হৈছিল ৬০০ আৰক্ষী। পৰিস্থিতিৰ ওপৰত অহৰহ নজৰ ৰাখে আৰক্ষীৰ জ্যেষ্ঠ বিষয়াসকলেও। কৃষক নেতা সৰৱান সিং পাণ্ডেৰে কয় যে বন্ধৰ সময়ছোৱাত জৰুৰীকালীন যাত্ৰাত বাধা দিয়া হোৱা নাছিল। উল্লেখ্য যে, কৃষকে সাব্যস্ত কৰা এই প্ৰতিবাদৰ মূল দাবীসমূহৰ ভিতৰত আছে শস্যৰ নূন্যতম সমৰ্থন মূল্য (এম এছ পি), কৃষি ঋণ ৰেহাই, পেঞ্চনৰ ব্যৱস্থা আৰু বিদ্যুতৰ বিল বৃদ্ধিৰ অন্ত পেলোৱা। ১৩ ফেব্ৰুৱাৰীৰ পৰা পঞ্জাৱ আৰু হাৰিয়ানাৰ সীমান্তত অৱস্থান কৰি আছে কৃষকসকলে। লক্ষণীয় যে, কৃষক নেতা জগজিৎ সিং দল্লেৱালৰ আমৰণ অনশনৰ পিছত এই আন্দোলনে পুনৰ শক্তি লাভ কৰে। কৃষকসকলে ইয়াৰ পূৰ্বে 'ৰে'ল ৰোকো' কাৰ্যসূচী গ্ৰহণ কৰিছিল যদিও তাৰ পিছতো কোনো সঁহাৰি লাভ কৰা নাছিল কেন্দ্ৰৰ পৰা। অভিযোগ অনুসৰি কৃষক নেতা দল্লেৱালৰ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাৰ পিছতো কোনো ধৰণৰ সহায় আগবঢ়োৱা নাই চৰকাৰে। এনে পৰিপ্ৰেক্ষিততে কেন্দ্ৰৰ ওপৰত হেঁচা বৃদ্ধি কৰিবলৈ সোমবাৰে পঞ্জাৱত বন্ধৰ আহ্বান জনাইছিল প্ৰতিবাদী কৃষকসকলে। এই বন্ধই এতিয়া বিশেষ ৰূপ ধাৰণ কৰিছে।

## শতবৰ্ষ গৰকা ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুৰণি আচবাব, টিনপাত হৰলুকি!

**ই-সংবাদ, ডুমডুমা, ৩০ ডিচেম্বৰঃ** তিনিচুকীয়া জিলা (তেতিয়াৰ লখিমপুৰ জিলা)ৰ ডাঙৰী অঞ্চলত ১৯১৬ চনত অঞ্চলটোৰ কেইগৰাকীমান স্বনামধন্য ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত গঢ় লৈ উঠা ডাঙৰী জাতীয় ইংৰাজী মজলীয়া বিদ্যালয় তথা সম্প্ৰতি ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে ২০১৫ চনত শতবৰ্ষ গৰকিছে। সম্প্ৰতি ১০৮ বছৰত ভৰি দিয়া ঐতিহ্যমণ্ডিত ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে ১৯৪১ চন পৰ্যন্ত মাইনৰ স্কুল হিচাপেই শিক্ষাৰ পোহৰ বিলোৱাৰ অন্তত ১৯৪২ চনৰ ১ জানুৱাৰীত উচ্চ মাধ্যমিক বিদ্যালয়লৈ পৰ্যবসিত হয়। ১৯৭০ চনত প্ৰাদেশিকীকৰণ হোৱা বিদ্যালয়খনে ১৯৭৬ চনত উচ্চতৰ মাধ্যমিকলৈ উন্নীত হয়। বিদ্যালয়খনত কেইবাগৰাকীও স্বনামধন্য সাহিত্যিকে অধ্যয়ন কৰি যোৱাৰ লগতে এসময়ত প্ৰশাসনিক বিষয়াৰ জন্ম দিয়া শিক্ষানুষ্ঠান বুলি এক সুনামো আছে। বিদ্যালয়খনক ১৯৭৭ চনৰ ১ অক্টোবৰত চৰকাৰৰ বিভাগীয় পক্ষৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় ঘাটি মঞ্জুৰীৰ পৰা প্ৰাদেশিকীকৰণ কৰা হয় (কলা বিভাগ)। যাৰ উদ্বোধন কৰিছিল খোদ অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াই। চলিত বছৰত চৰকাৰৰ পৰা কোটি টকাৰ অনুদান লাভ কৰি নতুনকৈ নিৰ্মাণ কৰাৰ আঁচনি লোৱা বিদ্যালয়খনৰ দায়িত্বপ্ৰাপ্ত ঠিকাদাৰগৰাকীয়ে বিদ্যালয়খনৰ পুৰণি আচবাব অন্য ঠাইলৈ লৈ যোৱাত সৰৱ হৈ পৰিছে সদৌ অসম ছাত্ৰ সন্থা, চমুকৈ "আছু"ৰ ডাঙৰী আঞ্চলিকে। এই সন্দৰ্ভত ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নয়নজ্যোতি সোণোৱাল আৰু ভাৰপ্ৰাপ্ত সম্পাদক পলাশজ্যোতি সোণোৱালৰ স্বাক্ষৰিত সংবাদ মাধ্যমলৈ প্ৰেৰিত এক বিবৃতিত উল্লেখ কৰিছে এনেদৰে- "১৯১৬ চনতেই স্থাপিত হোৱা ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে প্ৰায় ১০৮ বছৰ গৰকিছে। কিন্তু ১০৮ বছৰ গৰকা বিদ্যালয়খনত অসম চৰকাৰে উন্নয়নৰ বাবে কেইবা কোটি টকাৰ অনুদান দিয়াৰ বাবে ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাই সুখী অনুভৱ কৰিছে । কিন্তু বিদ্যালয়ৰ উন্নয়নৰ কামৰ বাবে বিদ্যালয় গৃহৰ আচবাবৰ লগতে বিদ্যালয়ৰ টিনপাত, পুৰণি গৃহৰ বস্তু সংশ্লিষ্ট ঠিকাদাৰে আন আন স্থানলৈ লৈ যোৱাটো কোনো যুক্তিসংগত হব নোৱাৰে বুলি ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাই অভিযোগ তোলাৰ লগতে ক'ব খোজে যে ১০৮ বছৰীয়া বিদ্যালয়ৰ পুৰণি গৃহৰ সামগ্ৰীৰ লগত ডাঙৰী অঞ্চলৰ ৰাইজৰ আৱেগ জড়িত হৈ আছে। সংশ্লিষ্ট ঠিকাদাৰে কাৰ অনুমতি লৈ পুৰণি সামগ্ৰীসমূহ আন ঠাইলৈ লৈ যোৱা হৈছে বুলি প্ৰশ্ন কৰিছে। সেয়েহে, শিক্ষা বিভাগৰ প্ৰশাসনিক বিভাগৰ তৰুফৰ পৰা তৰফৰ পৰা আপোনালোকৰ জৰিয়তে এক তদন্তৰ দাবী তোলাৰ লগতে বিদ্যালয়ৰ আন আন বিষয়ৰ ক্ষেত্ৰতো তদন্ত কৰিবৰ বাবে ছাত্ৰ সন্থাই দাবী তুলিছে।

# চেঙাৰ চৰাঞ্চলত বিধ্বস্ত পকী পথ কাণসাৰ নাই ঠিকাদাৰ-লোক নিৰ্মাণ বিভাগৰ



**ই-সংবাদ, শিমলীতোলা, ৩০ ডিচেম্বৰঃ** বৰপেটা জিলাৰ পূৰ্বৰ বাঘবৰ সমষ্টি বৰ্তমান চেঙা সমষ্টিৰ চৰাঞ্চলত বিধ্বস্ত হৈ পৰিছে নিৰ্মাণ সম্পূৰ্ণ হোৱা সকলো পকী পথ। উল্লেখ্য যে কাম আবণ্টন পোৱা ঠিকাদাৰসকলে পথ নিৰ্মাণৰ সময়ছোৱাত নিম্নমানৰ ৰাউণ্ড পাথৰ, ৫০ শতাংশতকৈ অধিক বালি মিহলোৱা চেণ্ট গ্ৰেভেল, ছাইডবামত পৰ্যাপ্ত মাটি নিদিয়া, চেণ্টগ্ৰেভেল পাথৰ কম্পেকশনৰ আগতেই চাফা নকৰাকৈ কাৰ্পেটিং কৰা, বিটুমিনত ৫০ শতাংশতকৈ অধিক পানী মিহলোৱা ইত্যাদি নিম্নমানৰ সামগ্ৰীৰে কাম কৰি ব্যাপক হাৰত দুৰ্নীতি-অনিয়ম সংঘটিত কৰি আঁচনিৰ ধন লুটিপুতি খোৱাৰ অঘোষিত প্ৰতিযোগিতা অব্যাহত ৰখাৰ বাবেই আজি তাৰ প্ৰত্যক্ষ ফল ভুগিব লগা হৈছে বৃহত্তৰ চৰাঞ্চলৰ সৰ্বসাধাৰণ লোকে। চৰাঞ্চলত নিৰ্মাণ কৰা প্ৰায় প্ৰতিটো পকী পথৰেই বিশেষকৈ ছাইডবামত নদীৰ ফটফটীয়া বগা বালি দি কাম কৰাৰ ফলত ৰেইন কাৰ্ট হৈ ছাইডবাম ছিঙি যোৱাত ডাঙৰ ডাঙৰ সুৰংগ ওলোৱা পৰিলক্ষিত হৈছে। ৪ নং বাঘমাৰাৰ টৰা আলোপতি মণ্ডলপাৰলৈ যোৱা ৰাস্তাৰ দুৰ্নীতিগ্ৰস্থ ঠিকাদাৰ ফয়জল হকে নিম্নমানৰ সামগ্ৰীৰে কাম কৰাৰ ফলত নিৰ্মাণৰ কিছুদিন পিছতেই জহিখহি যোৱা পৰিলক্ষিত হয়। পিছলৈ মেৰামতি কৰে যদিও নীতি বহিৰ্ভূতভাৱে পালমৰা ধৰণে কাম কৰাৰ ফলত মেৰামতি কৰা নকৰা একেই কথা হৈ পৰে। বিশেষকৈ ২ নং বাঘমাৰাৰ পৰা আঙুলকাটি হৈ ৪ নং বাঘমাৰা (ভুএগ্ৰা পাৰা)লৈ যোৱা পথৰ লগতে বাঘমাৰা চৰ বজাৰৰ পৰা সুখোৱাৰঝাৰলৈ যোৱা পকী পথ নিৰ্মাণৰ নামত দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ মৃণাল জ্যোতিদাসে ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ ফলত পথছোৱা অধিক দুৰ্বল হৈ পৰাৰ লগতে বহু ঠাইত ছাইডবাম ভাঙি যোৱাত পথত সুৰংগ ওলোৱা পৰিলক্ষিত হৈছে। এনে সুৰংগৰ বাবে যিকোনো মুহূৰ্ততে ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা ব্যক্ত কৰিছে স্থানীয় লোকে। পাঁচ বছৰৰ ভিতৰত পথসমূহৰ ক্ষয়-ক্ষতি হ'লে ঠিকাদাৰে বিভাগীয় নিয়ম অনুসৰি মেৰামতি কৰিব লাগে যদিও সেয়া দেখা নাযায় বৰপেটাৰ চৰাঞ্চলত। স্বাধীনতাৰ ৭০ বছৰ পিছত চেঙাৰ চৰাঞ্চলত বিধায়ক শ্বেৰমান আলী আহমেদৰ তৎপৰতাত বৃহৎ অঞ্চল সামৰি যথেষ্ঠ সংখ্যক ৰাস্তাৰ কাম হৈছে যদিও কাম অনুমোদন পোৱাৰ পিছত ঠিকাদাৰে কেনেদৰে কাম কৰিছে তাক লৈ স্থানীয় বিধায়ক তথা বিভাগীয় ঊৰ্ধতম কৰ্তৃপক্ষই কোনো খবৰ নোলোৱাৰ বাবে একাংশ দুৰ্নীতিগ্ৰস্থ ঠিকাদাৰৰে কিছু দুই নম্বৰী বিভাগীয় বিষয়াৰে মিলি লুণ্ঠন অব্যাহত ৰখাৰ অভিযোগ উত্থাপন কৰিছে সচেতন মহলে। নতুন কামৰ অনুমোদন পোৱালৈ ডাঙৰ কমিচনৰ অংক চলে বুলি স্থানীয় ৰাইজে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে সম্পূৰ্ণ হোৱা ৰাস্তা জৰাজীৰ্ণ হ'লে মেৰামতি কৰাক লৈ কাৰো গুৰুত্ব নথকাটোৱে বুজায় দুৰ্নীতিগ্ৰস্থ ঠিকাদাৰসকল কোনো প্ৰভাৱশালী ৰাজনৈতিক নেতাৰ আশীৰ্বাদ পুষ্ট। চৰাঞ্চলত ৰাস্তাৰ কাম কৰা এতিয়া যেন ঠিকাদাৰসকলৰ কাৰণে সোণৰ কণী পৰা হাঁহত পৰিণত হৈছে। বিধ্বস্ত পথসমূহ শীঘ্ৰে মেৰামতি কৰাৰ যাৱতীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে মুখ্যমন্ত্ৰী, জিলা উপায়ুক্তৰ লগতে বিভাগীয় ঊৰ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে।

# লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকাৰ বাসগৃহত যোগদান কাৰ্যসূচী

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৩০ ডিচেম্বৰঃ** সমাগত পঞ্চায়ত নিৰ্বাচনক লৈ শাসক-বিৰোধী সকলো ৰাজনৈতিক দলে কঁকালত টঙালী বান্ধিছে। কিয়নো পঞ্চায়ত নিৰ্বাচনৰ পাছতে ২৬ৰ বিধানসভা নিৰ্বাচন। গতিকে পঞ্চায়ত নিৰ্বাচনৰ ফলাফলৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰিব ২৬ৰ বিধানসভা নিৰ্বাচন। সেয়ে পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে সমষ্টিয়ে সমষ্টিয়ে দলীয় সাংগঠনিক ভেটি শক্তিশালী কৰাত ব্যস্ত হৈছে বিজেপি। আজি সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত লাহোৱাল বিধায়ক বিনোদ হাজৰিকাৰ চাবুৱাস্থিত বাসগৃহত বিজেপিৰ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। নতুন বছৰৰ পূৰ্বে দুশৰো অধিক লোকে পিন্ধিলে গেৰুৱা বসন। চাবুৱা-লাহোৱাল সমষ্টিৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তৰ পৰা অহা কংগ্ৰেছ, জাতীয় পৰিষদ, আপ আৰু অসম গণ পৰিষদৰ কৰ্মীসকলে যোগদান কৰে বিজেপিত। বিজেপিলৈ অহা লোকসকলক দলীয় গামোচা পিন্ধাই আদৰণি জনায় বিধায়ক বিনোদ হাজৰিকাই। উল্লেখ্য যে, পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে চাবুৱা-লাহোৱাল সমষ্টিত সমুখ-সমৰত নামিছে দুজনকৈ বিধায়কে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ ফলত উজনিৰ ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টি বিলুপ্ত হ'ল। লাহোৱাল সমষ্টি বিলুপ্ত কৰি চাবুৱা সমষ্টিৰ নতুন নামকৰণ কৰা হয় চাবুৱা-লাহোৱাল সমষ্টি। ফলত লাহোৱাল সমষ্টিৰ অধিকাংশ পঞ্চায়ত অন্তৰ্ভুক্ত কৰা হয় চাবুৱা-লাহোৱাল সমষ্টিত। ইয়াৰ লগে লগে চাবুৱাৰ অসম গণ পৰিষদ দলৰ বিধায়ক পোনাকণ বৰুৱা আৰু বিজেপিৰ লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই এতিয়া পৃথকে পৃথকে নিজ নিজ দলৰ সাংগঠনিক কাম-কাজত ব্যস্ত চাবুৱা-লাহোৱাল সমষ্টিত। ৰাজ্যিক বিজেপিৰ নেতৃত্বই হ'বলগা পঞ্চায়ত নিৰ্বাচনত মিত্ৰতা সমষ্টি পৰ্যায়ত হ'ব বুলি ঘোষণা কৰাৰ পাছতে চাবুৱা-লাহোৱাল সমষ্টিত দুইগৰাকী বিধায়কৰ স্থিতি লক্ষণীয় হৈ পৰিছে।

# মাজুলীত বনভোজ খাবলৈ গৈ নিখোঁজ যুৱক



**ই-সংবাদ, মাজুলী, ৩০ ডিচেম্বৰঃ** সমাগত নতুন বছৰৰ উপলক্ষে মাজুলীৰ বনভোজস্থলীসমূহত ব্যাপক ভিৰ পৰিলক্ষিত হৈছে। বনভোজৰ আনন্দ-উল্লাসৰ মাজতে সোমবাৰে সংঘটিত হয় এক অঘটন। জানিব পৰা মতে, সাত জনীয়া এটি বনভোজৰ দলে মাজুলীৰ অফলামুখ ঘাটৰ সমীপত পুৰণা বেচামৰাৰ তিনি নম্বৰ শৈল্য স্পাৰত বনভোজৰ আনন্দ-উল্লাসৰ সময়তে পিংকু হাজৰিকা নামৰ এজন যুৱক বিয়লি প্ৰায় ২ মান বজাৰ পৰা নিৰুদ্দেশ হয়। উজনি মাজুলীৰ বাঘৰ গাঁৱৰ নিৱাসী থগেশ্বৰ হাজৰিকা আৰু নিজৰা হাজৰিকাৰ পুত্ৰ পিংকু হাজৰিকাই বন্ধুৰ লগত দুপৰীয়া ১২মান বজালৈকে আনন্দ-স্ফূৰ্তি কৰি আছিল যদিও এটা ফোনকল অহাত বন্ধুকেইজনৰ কাষৰ পৰা আঁতৰি যায়। প্ৰায় ২ ঘণ্টাপৰ্যন্ত পিংকু উভতি নহাত তেওঁক বিচাৰ-খোঁচাৰ আৰম্ভ কৰে বন্ধুসকলে। বিয়লি ২ বজাৰ পৰা নিৰুদ্দেশ যুৱকজনক বিচাৰি থাকোতে প্ৰায় দুঘণ্টাৰ পাছত এখন নাঁৱত উদ্ধাৰ হয় যুৱকজনে পৰিধান কৰা চেণ্ডেল। পৰৱৰ্তী সময়ত ঘটনাস্থলীত বনগাঁও আৰক্ষী চকীৰ আৰক্ষী, পৰিয়ালৰ লোক উপস্থিত হৈ যুৱকজনৰ সন্ধানত অব্যাহত ৰাখিছে যদিও বাতৰি লিখা পৰলৈ যুৱকজনৰ কোনো সন্ধান ওলোৱা নাই বুলি জানিব পৰা গৈছে।

## প্ৰশাসনক লিখিত অভিযোগ দি ৰাইজৰ ওচৰত ক্ষমা ৰফিকুলৰ

# অদৃশ্য শক্তিৰ কৃপাত উত্তৰ গুৱাহাটীত চলিছে অবাধ বন ধ্বংসযজ্ঞ



**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৩০ ডিচেম্বৰঃ** কোন অদৃশ্য শক্তিৰ প্ৰভাৱত মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিত চলিছে অবাধ বন ধ্বংসযজ্ঞ ্মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিত বৰ্তমানো অব্যাহত আছে বন ধ্বংসযজ্ঞ। সময়ে সময়ে সংবাদ মাধ্যমত এই বন ধ্বংসৰ বিৰুদ্ধে সংবাদ প্ৰকাশ পালেও দুদিন থমকি পুনৰ অদৃশ্য শক্তিৰ কৃপাত সকলো আওকাণ কৰি পুনৰ আৰম্ভ হয় বন ধ্বংসযজ্ঞ। এই অবৈধ বন ধ্বংসৰ লগত কেতিয়াবা যদি একাংশ বন বিভাগৰ লোক জড়িত থকাৰ অভিযোগ উত্থাপিত হয়, কেতিয়াবা আকৌ শাসনাধিষ্ঠ চৰকাৰখনৰ একাংশ নেতা-পালিনেতা জড়িত থকাৰ অভিযোগ উত্থাপিত হয়। কিন্তু এই সকলো ঘটনাৰ বিপৰীতে উত্তৰ গুৱাহাটী ৰংমহলত সংঘটিত হৈছে এক আজব ঘটনা। ৰংমহল ৰুদ্ৰেশ্বৰ পাহাৰত অবৈধ পাহাৰ খননৰ বিৰুদ্ধে কামৰূপ জিলা প্ৰশাসনক লিখিত অভিযোগ দি ৰাজহুৱাভাৱে ক্ষমা বিচাৰিব লগীয়া হল অভিযোগকাৰীয়ে। ঘটনা অনুসৰি ২০ ডিচেম্বৰত উত্তৰ গুৱাহাটী ৰংমহল গাঁৱৰ মঃ ৰফিকুল আলীয়ে একেখন গাঁৱৰ বুদুল আলীৰ লগতে আন তিনিজন ব্যক্তিৰ বিৰুদ্ধে ৰুদ্ৰেশ্বৰ পাহাৰত দিনে নিশাই জে,চি,বি., ডাম্পাৰেৰে অবৈধভাৱে পাহাৰৰ ৰঙা মাটি ৰাইজৰ বাধা অমান্য কৰি কটাক লৈ কামৰূপ জিলা প্ৰশাসনৰ ওচৰত গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। ৰফিকুলৰ অভিযোগৰ ভিত্তিত কামৰূপ জিলা প্ৰশাসনৰ তৰফৰ পৰা ADM-17/15/2022-Kaa Dated 23/12/2024 দুয়ো পক্ষক শুনানিৰ বাবে কামৰূপ জিলা আয়ুক্ত কাৰ্যলয়ত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছিল। কিন্তু প্ৰাপ্য তথ্য অনুসৰি উক্ত শুনানিৰ দিনা আবেদনকাৰী উপস্থিত থাকে যদিও প্ৰতিপক্ষ উপস্থিত নাথাকে। অভিযোগকাৰীয়ে এই অবৈধখননৰ বিৰুদ্ধে কোনো ব্যক্তিয়ে বিৰোধিতা কৰিলে প্ৰতিপক্ষই দাবী ধমকি দিয়াৰ কথা উল্লেখ কৰিছিল। ফোনযোগে এই অবৈধ খননৰ বিৰুদ্ধে বন বিভাগক জনালেও ৰহস্যজনকভাৱে গুৰুত্ব নিদিয়াৰ অভিযোগ তুলিছিল। পিছত শেষ ভৰসা হিচাপে কামৰূপ জিলা প্ৰশাসনৰ কাষ চাপি একাংশৰ ৰোষত পৰিল অবৈধ পাহাৰৰ খননৰ বিৰুদ্ধে অভিযোগ তোলা ৰফিকুল। একাংশৰ ওচৰত এই লিখিত অভিযোগ দিয়াৰ বাবেই ক্ষমা বিচাৰিবলগীয়া হ'ল ৰফিকুলে। সম্প্ৰতি ছ'চিয়েল মিডিয়াত ভাইৰেল হৈছে ৰফিকুলে ক্ষমা বিচৰা ভিডিঅ'। এতিয়া কামৰূপ প্ৰশাসনে উপৰোক্ত সন্দৰ্ভত তদন্ত কৰি অবৈধ খননৰ বিৰুদ্ধে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নে নাই সেয়া হ'ব লক্ষণীয়।

# মাতৃ আৰু শাহুৱেকৰ স্মৃতি জীয়াই ৰখাৰ ব্যতিক্ৰমী প্ৰয়াস

**ই-সংবাদ, মুকালমুৱা, ৩০ ডিচেম্বৰঃ** জননী আৰু জন্মভূমি স্বৰ্গতকৈও শ্ৰেষ্ঠ। মাতৃৰ প্ৰতি সন্তানৰ মৰম, শ্ৰদ্ধা, ভক্তিৰ নিদৰ্শন দেখুৱালে নলবাৰী জিলাৰ মুগদি গাঁৱৰ প্ৰয়াত লক্ষ্মী বৰ্মনৰ জীয়ৰী তথা হাজো অভয়পুৰৰ প্ৰয়াত সৰস্বতী কলিতাৰ বোৱাৰী পাঞ্জাবাৰী নিৱাসী আৰতি কলিতাই। মাতৃ আৰু শাহুৱেকৰ স্মৃতি জীয়াই ৰখাৰ অদম্য হেঁপাহ লৈ এক মহান অভিযান আৰম্ভ কৰিছে আৰতি কলিতাই। এই অভিযানৰ জৰিয়তে আৰতি কলিতাই দুটা শিতানত মাতৃ দুগৰাকীৰ জীৱন দৰ্শন, সততা আৰু নিষ্ঠা প্ৰতিফলন কৰাৰ প্ৰয়াস কৰিছে। এই শিতানত প্ৰাথমিক বিদ্যালয়ত অধ্যায়ন কৰা সমাজৰ অমূল্য সম্পদ শিশুসকলৰ মাজত পাঠ্যপুথি আৰু বয়সৰ লগত সংগতি ৰাখি মানসিক উৎকৰ্ষ সাধনৰ নিমিত্তে উপযুক্ত কিতাপ বিতৰণ কৰি আহিছে। পঢ়নৰ পৰাই দুৰৰ মাণিক হাততে পোৱা যায় এই উদ্দেশ্য আগত ৰাখিয়েই বৰ্তমান মোবাইল ফোনৰ যুগতো যেন শিশুসকলক অধ্যয়নৰ বাবে হাতত কিতাপ তুলি দি আহিছে। লগতে ঘৰুৱা কামত নিজৰ সময় উছৰ্গিত কৰা মহিলাসকলৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে আৰু অৱসৰ বিনোদনৰ বাবে কিছু মহিলাৰ মাজত গোট সৃষ্টি কৰি নাম-প্ৰসংগ, বিয়ানাম, দিহানাম আদিৰ প্ৰশিক্ষণ প্ৰদান কৰি অহাৰ উপৰি বিভিন্ন ধৰ্মীয় গ্ৰন্থ আৰু বস্ত্ৰ প্ৰদান কৰি মাতৃ দুগৰাকীৰ বাবে নিজৰ মূল্যবান সময় দান কৰা বুলি মন্তব্য প্ৰকাশ কৰে আৰতি কলিতাই। সেই উদ্দেশ্য আগত ৰাখিয়েই গুৱাহাটীস্থিত 'লক্ষ্মী-সৰস্বতী স্মৃতি অভিযান'ৰ সৌজন্যত দেওবাৰে এক ব্যতিক্ৰমী বিনামূলীয়া শিক্ষামূলক ভ্ৰমণ উলিওৱা হয়। উক্ত ভ্ৰমণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আৰতি কলিতাৰ মাতৃগৃহ মুগদি গাঁৱৰ জ্যেষ্ঠ নাগৰিক তথা সমাজকৰ্মী হলধৰ বায়নে। মহিলা সৱলীকৰণ আৰু শিশুৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে স্থাপন হোৱা লক্ষ্মী-সৰস্বতী অভিযান নামৰ বেচৰকাৰী অনুষ্ঠানটোৱে নলবাৰী জিলাৰ বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ অন্তৰ্গত মুগদি প্ৰাথমিক বিদ্যালয় আৰু মুগদি মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰায় ৭০গৰাকী ছাত্ৰ-ছাত্ৰীক গুৱাহাটীৰ বিভিন্ন স্থানলৈ লৈ গৈ শৈক্ষিক দিশৰ ওপৰত আলোকপাত কৰাৰ প্ৰয়াস কৰে। শিক্ষামূলক ভ্ৰমণ কাৰ্যসূচীটোৰ প্ৰথম কাৰ্যসূচী জ্যেষ্ঠ নাগৰিকক সম্ভাষণ জনোৱাৰ উদ্দেশ্যে এক ব্যতিক্ৰমী অনুষ্ঠান আৰম্ভণি হয় শ্ৰীশ্ৰী পূৰ্ব্ব তিৰুপতি বালাজী মন্দিৰ প্ৰাঙ্গণত। সঞ্চালক আৰতি কলিতাই আঁত ধৰা অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি শৈক্ষিক দিশৰ ওপৰত বিশেষ গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। ইয়াৰ লগতে কবিতা, গীত, কৌতুক আদিৰে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত কৰে বিশিষ্ট সাহিত্যিক সু-লেখক শিক্ষাবিদ প্ৰদীপ নাৰায়ণ ভট্টই। উক্ত অনুষ্ঠানত জ্যেষ্ঠ নাগৰিক তথা সমাজসেৱক তাৰিণী চৰণ ডেকা, বিশিষ্ট সমাজসেৱী ৰেণু প্ৰভা ডেকা, বিবি (কুসুম) কলিতা, বিশিষ্ট ব্যৱসায় শচীন্দ্ৰ নাথ বৰ্মন, নীলিমা বৰ্মন, সৰবৰহী মহিলা সত্যৱতী বৰ্মন, ৰাজস্থানৰ সুৰেশ ভাৰ্গৱ, শিক্ষক মণিকান্ত বায়ন, শিক্ষক ৰফিউল হক, সাংবাদিক সুৰজিৎ পাঠকক সম্ভাষণ জনোৱা হয়।

# শান্তিপুৰ শাখা সাহিত্য সভাৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি

**ই-সংবাদ, মথুৰাপুৰ, ৩০ ডিচেম্বৰঃ** অসম সাহিত্য সভাৰ চৰাইদেউ জিলাৰ অন্তৰ্গত শান্তিপুৰ শাখা সাহিত্য সভাৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশনখনি গত ২৮ আৰু ২৯ ডিচেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে জিলাখনৰ সদৰস্থিত শান্তিপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগনত অনুষ্ঠিত হৈ যায় । প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি দিনৰ ২-০০ বজাত কাৰ্যনিৰ্বাহক সভা আৰু আবেলি ৩-৩০ বজাত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাখন উদ্বোধন কৰে শান্তিপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভুপেন ফুকনে । সভাত পুনৰ সভানেত্ৰী বীণা চেতিয়া বুঢ়াগোহাঁইক, উপ-সভাপতি বেদজ্যোতি গগৈ আৰু প্ৰদীপ গগৈ, আৱতি বৰা চাংমাইক সম্পাদিকা , প্ৰীতিমা চাংমাই , মুকুল মলিয়াক সহকাৰী সম্পাদক হিচাপে লৈ শাখা সভাৰ নতুন সমিতি গঠন কৰা হয় । দ্বিতীয় দিনা পুৱা ৯-০০ বজাত পতাকা উত্তোলন কৰে শাখা সভাৰ সভানেত্ৰী বীণা চেতিয়া বুঢ়াগোহাঁইৰ লগতে ১৪ গৰাকী বিশিষ্ট ব্যক্তিয়ে । আদৰণি সমিতিৰ সভাপতি মুকুল মলিয়া মুখ্য তৰ্পক হিচাপে উপস্থিত থকা অনুষ্ঠানটোত শান্তিপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তিলকান্ত বৰুৱা আৰু ৰোহিনী চেতিয়া, পত্ৰিকা সম্পাদিকা তৰু দুৱৰী, প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য নৰেন গগৈৰ সশ্ৰদ্ধ সোঁৱৰণত স্মৃতি তৰ্পণ কৰে তেখেতলোকৰ পৰিয়ালবৰ্গই । আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি স্বাক্ষৰজ্যোতি গগৈয়ে গছপুলি ৰোপণ কৰাৰ পাছতেই শাখা সভাৰ 'কুঁহি' আৰু 'আকাশ'ৰ অনুষ্ঠানত চিত্ৰাঙ্কন প্ৰতিযোগিতা, কুইজ, গীত-মাত, বিয়ানাম আৰু কবিতা আবৃত্তিৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয় । বিষয় শিক্ষয়িত্ৰী নিবেদিতা বৰুৱা গগৈয়ে প্ৰতিযোগিতাখনি শুভ উদ্বোধন কৰে । দিনৰ ১-৩০ বজাত মুকলি সভা অনুষ্ঠিত কৰা হয় । শাখাৰ নৱ নিৰ্বাচিত সম্পাদিকা আৱতি বৰা চাংমাইয়ে আঁত ধৰা সভাত পৌৰোহিত্য কৰে বীণা চেতিয়া বুঢ়াগোহাঁইয়ে । সোণাৰি নগৰৰ পৌৰপতি তিলক চন্দ্ৰ নেওগে সভাখন উদ্বোধন কৰাৰ লগতে আদৰণি ভাষণ পাঠ কৰে আদৰণি সমিতিৰ সভাপতি মুকুল মলিয়াই । চৰাইদেউ জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ৰতিপ্ৰভা গগৈ, সভাপতি নিৰঞ্জন ফুকন, সম্পাদক বিপুল বৰুৱা, সোণাৰি শাখা সাহিত্য সভাৰ সভাপতি পাপৰি গগৈ, শান্তিপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভুপেন ফুকন, সদৌ অসম লেখিকা সংস্থাৰ সোণাৰি শাখাৰ সভানেত্ৰী ৰুণু সন্দিকৈ, সাংবাদিক ফৰিদ আলি আদি বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ উপৰি তৰুলতা বৰদলৈৰ বিয়া নাম, জোনমনি গগৈ, হেমী ফুকন, প্ৰযুক্তি শিখা বৰুৱাই গীত পৰিৱেশন আৰু আফ্ৰিদ শোভন আলিৰ কবিতা আবৃত্তিৰে সৌষ্ঠৱতা বৃদ্ধি কৰা সভাত শাখাৰ পত্ৰিকা সম্পাদিকা প্ৰীতিমা চাংমাইয়ে সম্পাদনা কৰা 'দলৈখাত' স্মৃতি গ্ৰন্থখনি উন্মোচন কৰে শিক্ষাবিদ তথা বিশিষ্ট লেখক ভীমবৰ পাতিৰি আৰু সুনিল গগৈয়ে । সন্ধিয়া ৭.০০ বজাত শাখা সভাৰ 'আকাশ' উপ-সমিতিৰ উদ্যোগত ডিম্বেশ্বৰ কোঁৱৰৰ ৰচনা আৰু কল্যাণ গগৈ পৰিচালনাত পূৰ্ণাংগ নাট "দেৱাঃ ন জানন্তি" শীৰ্ষক মুল প্ৰদৰ্শন কৰা হয় । উক্ত নাটকখনি শুভ উদ্বোধন কৰে লাকুৱা খণ্ড উন্নয়ন বিষয়া অন্তৰা হুছেইনে । অনুষ্ঠানটোত সোনাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, শিক্ষাবিদ মনি গগৈ, সংগীতজ্ঞ দেৱজ্যোতি গগৈ, সমাজকৰ্মী পুলক গগৈ, উৎপল গগৈ আদি সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে ।

# অভিনেত্ৰী মনোমতী গোহাঁইলৈ অসম নাট্য সন্মিলনৰ জীৱনজোৰা নাট্য সাধনা বঁটা

**ই-সংবাদ, ডিব্ৰুগড়, ৩০ ডিচেম্বৰঃ** যোৱা ২৯ ডিচেম্বৰত অসম নাট্য সন্মিলনৰ সৌমাৰ পীঠ মণ্ডলে প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা অসম নাট্য সন্মিলনৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক ডিব্ৰুগড়ৰ হাচান ছৰিফ আহমদৰ সোঁৱৰণত 'হাচান ছৰিফ আহমদ জীৱনজোৰা নাট্য সাধনা বঁটা ২০২৪' প্ৰদান কৰা হয় প্ৰবীণ অভিনেত্ৰী ডিব্ৰুগড়ৰ মনোমতী গোহাঁইক। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা (প্ৰতিষ্ঠাপক সভাপতি)আৰু হাচান ছৰিফ আহমদৰ নেতৃত্বত ১৯৫৯ চনত ডিব্ৰুগড়ত জন্ম লাভ কৰা অসম নাট্য সন্মিলনৰ সৈতে জন্মলগ্নৰে পৰা জড়িত আছিল নাট্যশিল্পী মনোমতী গোহাঁই। ১৯৬০ চনত শিৱসাগৰত অনুষ্ঠিত সন্মিলনৰ দ্বিতীয়খন অধিৱেশনত তেখেতে শ্ৰেষ্ঠা অভিনেত্ৰীৰ খিতাপ দখল কৰে। আকাশবাণীৰো নিয়মীয়া নাট্যশিল্পী মনোমতী গোহাঁয়ে 'মধুচন্দা', 'কেঁচাসোণ'কে ধৰি বহুকেইখন অসমীয়া বোলছবিত অভিনয় কৰিছিল। শিৱসাগৰৰ হাঁহচৰাত অনুষ্ঠিত সৌমাৰপীঠ মণ্ডলৰ এই বঁটা প্ৰদান অনুষ্ঠানত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সভাপতি কুমাৰ দীপক দাস, কেন্দ্ৰীয় সাধাৰণ সম্পাদক সন্তৰাম দাসকে প্ৰমুখ্য কৰি কেন্দ্ৰীয় সমিতি, জিলা সমিতি আৰু বিভিন্ন শাখা সমিতিৰ প্ৰতিনিধি আৰু নাট্যপ্ৰেমী ৰাইজ উপস্থিত আছিল। শাৰীৰিক অসুস্থতাৰ বাবে উপস্থিত হ'ব নোৱাৰাত মনোমতী গোহাঁইৰ পৰিয়ালৰ লোকে এই বঁটা গ্ৰহণ কৰে।

# ভূপেন শৰ্মাৰ ৮৬সংখ্যক জন্মদিৱস উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, নলবাৰী, ৩০ ডিচেম্বৰঃ** পশ্চিম নলবাৰীৰ বিশিষ্ট সাংবাদিক, সমাজকৰ্মী, শিক্ষাবিদ, নাট্যকাৰ, ক্ৰীড়া সংগঠক, চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ প্ৰাক্তন সভাপতি, সম্পাদক, অভিনেতা, ছাত্ৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী, পশ্চিম নলবাৰীৰ প্ৰথমগৰাকী বাতৰি কাকত এজেঞ্চি পাৰ্বতী এজেঞ্চিৰ স্বত্বাধিকাৰী ভুপেন শৰ্মাৰ ৮৬ সংখ্যক জন্মদিনটো চামতা আঞ্চলিক সাহিত্য সভাই চামতাৰ হাতিৰপিঠিৰ ভুপেন শৰ্মাৰ বাসগৃহত উদযাপনৰ প্ৰস্তুতি চলাইছে। কাইলৈ আবেলি ভুপেন শৰ্মাৰ ঘৰত এইবেলি চামতা আঞ্চলিক সাহিত্য সভাৰ উদ্যোগত আয়োজন কৰা জন্মদিনটো উদযাপন কৰা হ'ব। আধুনিক চামতা নিৰ্মাণৰ কাণ্ডাৰীৰ ভিতৰত ভুপেন শৰ্মাও অন্যতম। প্ৰতি বছৰে চামতা আঞ্চলিক শাখা সাহিত্য সভাই ৩১ ডিচেম্বৰত শৰ্মাৰ বাসগৃহত জন্মদিন পালন কৰি আহিছে। এইবেলিও চামতা আঞ্চলিক শাখা সাহিত্য সভাৰ উদ্যোগত আয়োজিত ৮৬সংখ্যক জন্ম দিনটো ৩১ ডিচেম্বৰৰ আবেলি ৰাজহুৱাকৈ আয়োজন কৰিছে। জন্মদিনৰ লগত সংগতি ৰাখি স্মৃতি ৰোমন্থন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। চামতা আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি এম হাচান আলীয়ে উদযাপন কৰিবলগীয়া অনুষ্ঠানত বৃহত্তৰ চামতাৰ বহু বিশিষ্ট লোক উপস্থিত থাকিব।

# ঘগ্ৰাপাৰৰ দিহজাৰী গাঁও পঞ্চায়তত একেদিনাই ৯ টাকৈ উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন

**ই-সংবাদ, নলবাৰী, ৩০ ডিচেম্বৰঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৫ নং দিহজাৰী গাঁও পঞ্চায়ত আজি একেদিনাই ৯ টাকৈ উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন কৰা হয়। এই অনুষ্ঠানত ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ প্ৰাক্তন সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, সভাপতি মনোজ ডেকাই উন্নয়ন খণ্ডৰ অধীনস্থ গাঁও পঞ্চায়তখনৰ ৯ টা উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন কাৰ্যসূচীত উপস্থিত থাকে দিহজাৰী গাঁও পঞ্চায়তৰ সচিব আব্দুল কৰিম চৌধুৰী, কনিষ্ঠ অভিযন্ত ৰতনেশ্বৰ বৰ্মন, নলবাৰী জিলা যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক বিশ্বজিৎ কলিতা, ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক সুৰেশ কলিতা, উপ-সভাপতি শ্যামন্ত শৰ্মা, সম্পাদক বুবুল দাস, ঘগ্ৰাপাৰ মণ্ডল কৃষক মৰ্চাৰ সভাপতি প্ৰতুল চৌধুৰী আদি। ঘোহকুছি স্থানীয় নামঘৰ প্ৰাংগণত অনুষ্ঠিত হোৱা আধাৰশিলা অনুষ্ঠানৰ আঁত ধৰে দিহজাৰী পঞ্চায়তৰ প্ৰাক্তন গাঁও সভাৰ সদস্য অকন দাসে। অনুষ্ঠানত ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ প্ৰাক্তন সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা উপস্থিত থাকি পঞ্চদশ বিত্তীয় আয়োগৰ ২০২১-২২ বৰ্ষৰ অধীনত পঞ্চায়তখনৰ বিভিন্ন গাঁৱত ৯ টাকৈ পথ, পানী যোগান, শৌচাগাৰ আদিৰ উন্নয়নমূলক কাম নিৰ্মাণৰ বাবে অসম চৰকাৰে পঞ্চায়ত বিভাগে প্ৰায় ৪০ লাখ টকা ধাৰ্য কৰিছে বুলি উল্লেখ কৰাৰ লগতে ইয়াৰ যাতে সদব্যবহাৰ হয় তাৰ বাবে ৰাইজক চকু দিবলৈ আহবান জনায়। ইফালে, ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ সভাপতি মনোজ ডেকাই ভাষণত পূৰ্বৰ চৰকাৰৰ তুলনাত বিজেপিৰ চৰকাৰৰ দিনত অধিক উন্নয়ন হোৱাৰ কথা উল্লেখ কৰে।



দিল্লীত অনুষ্ঠিত সংগঠন পৰ্বত অসম প্ৰদেশ বিজেপিৰ সভাপতি আৰু সাংগঠনিক সম্পাদকৰ অংশ গ্ৰহণ

# নলবাৰীৰ নিউক্লিয়াছ একাডেমীৰ বিশেষ অভিনন্দন অনুষ্ঠান

**ই-সংবাদ, নলবাৰী, ৩০ ডিচেম্বৰঃ** নলবাৰী জিলাৰ আগশাৰীৰ বেচৰকাৰী শিক্ষানুষ্ঠান "নিউক্লিয়াছ একাডেমী"ৰ অভিনন্দন অনুষ্ঠান আজি গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হয়। চহৰখনৰ চ'ক বজাৰস্থিত শিক্ষানুষ্ঠানখনৰ চৌহদত অনুষ্ঠিত হোৱা অভিনন্দন অনুষ্ঠানটিৰ আৰম্ভণিতে নিউক্লিয়াছ একাডেমীৰ অধ্যক্ষ ধ্ৰুৱজ্যোতি তালুকদাৰে আদৰণি ভাষণ দিয়ে। একাডেমীৰ প্ৰবক্তা সমৰ তালুকদাৰে আঁত ধৰা আৰু মনোজ শৰ্মাই সহযোগ কৰা অনুষ্ঠানটিত ২০২৪ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা মাধুৰ্যলগন শৰ্মা (মাজদিয়া), বিজ্ঞান শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা শ্বাহিদ আলম(গুৱাকুছি), বাণিজ্য শাখাৰ সৰ্বোচ্চ নম্বৰ লাভ কৰা সীমা বেগম (কৰ্দৈতোলা)ক দুৰ্গাকিংকৰ গোস্বামী শৈক্ষিক বঁটা প্ৰদান কৰা। ইয়াৰ লগতে শিক্ষানুষ্ঠানখনৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম, ষ্টাৰ আৰু ডিষ্টিংচন লাভ কৰা শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হয়। এই অনুষ্ঠানতে লেখক তথা বিশিষ্ট চিকিৎসক ডাঃ লোহিত বৈশ্য, ডাঃ দিগন্ত গোস্বামী, নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি জিতেন শৰ্মা, "অসম টাইমৰ"ৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমান আৰু বিশিষ্ট স্বাস্থ্য সেৱক খনীন্দ্ৰ তহবিলদাৰক নিউক্লিয়াছ একাডেমীৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি বিশিষ্ট চিকিৎসক ডাঃ লোহিত বৈশ্য আৰু দিগন্ত গোস্বামীয়ে কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। জ্যেষ্ঠ সাংবাদিক তথা নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি জিতেন শৰ্মাই কৃতী শিক্ষাৰ্থীসকলক ভৱিষ্যতে ভাল মানুহ হ'বলৈ আহ্বান জনায়। এই কৃতী শিক্ষাৰ্থীসকলে যাতে ভৱিষ্যতে নিজৰ পিতৃ-মাতৃক পাহৰি নাযায় তাৰ প্ৰতি সজাগ হৈ থাকিবলৈ পৰামৰ্শ আগবঢ়ায়। জ্যেষ্ঠ সাংবাদিক তথা "অসম টাইম"ৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমানে নিউক্লিয়াছ একাডেমীৰ কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে। এই সফলতাৰ ধাৰা আগন্তুক দিনলৈ অব্যাহত ৰাখিবলৈ আহ্বান জনায় তেওঁ শিক্ষানুষ্ঠানখনৰ উন্নত শৈক্ষিক পৰিৱেশক প্ৰশংসা কৰে। সমাজকৰ্মী তথা স্বাস্থ্য সেৱক খনীন্দ্ৰ তহবিলদাৰে কৃতী ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে শিপাক পাহৰি নাযাবলৈ আহ্বান জনায়। অনুষ্ঠানত নলবাৰীৰ জ্যেষ্ঠ সাংবাদিক কমলেশ শৰ্মা, শ্বাহ আলম আহমেদক সম্বৰ্ধনা জনায়। অনুষ্ঠানত কেবাগৰাকী কৃতী শিক্ষাৰ্থীয়ে নিজৰ অনুভৱ ব্যক্ত কৰে। প্ৰবক্তা অসীমজ্যোতি কলিতাই শলাগৰ শৰাই আগবঢ়ায়।

# কলাগুৰুৰ থিয়েটাৰৰ মঞ্চত পুৰণিগুদাম অম্লান গোষ্ঠীৰ সম্বৰ্ধনা অনুষ্ঠান

**ই-সংবাদ, পুৰণিগুদাম, ৩০ ডিচেম্বৰঃ** ভ্ৰাম্যমাণ নাট্যদল কলাগুৰু থিয়েটাৰৰ নাট্যমঞ্চত পুৰণিগুদামৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান অম্লান গোষ্ঠীয়ে পাঁছ গৰাকীকৈ লোকক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। পুৰণিগুদাম মিকিৰহাট পথাৰলৈ যোৱা ২৪ ডিচেম্বৰৰ পৰা ২৬ ডিচেম্বৰলৈ তিনিটি নিশাৰ নাট মঞ্চস্থৰ বাবে অম্লান গোষ্ঠীয়ে আমন্ত্ৰণ কৰি অনা নাট্যদলটিৰ ৰঙ্গমঞ্চত প্ৰথম নিশাৰ নিবেদন “কৰ্ণ-অৰ্জুন” পৰিৱেশনৰ প্ৰাকমুহূৰ্তত উক্ত সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। গোষ্ঠীৰ প্ৰাক্তন সভাপতি-সাংবাদিক নীলৰঞ্জন শৰ্মাই আঁট ধৰা অনুষ্ঠানত অসমৰ জনপ্ৰিয় অভিনেতা অৰূপ বৈশ্য,পদ্মৰাগ গোস্বামী,জয়ন্ত জীৱন, দুলুমণি ডেকা, নাট্যকাৰ প্ৰণৱ বৰুৱা, অভিনেত্ৰী হিমাক্ষী কলিতা, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰিতুপৰ্ণ বনিয়াক অম্লান গোষ্ঠীৰ উপদেষ্টা মাধৱ বৰা, সভাপতি জীতেন শইকীয়া,উদযাপন সমিতিৰ সভাপতি দিলিপ ভূঞা, সদস্যা কবিতা শইকীয়াই একোখনকৈ ফুলাম গামোছাৰে সম্বৰ্দ্ধনা জনায়।উল্লেখ্য যে, বিশ্ব প্ৰতিবন্ধী দিৱসত অম্লান গোষ্ঠীয়ে গ্ৰহণ কৰা সংকল্প অনুসৰি চামগুৰি সমষ্টিৰ অন্তৰ্গত তেলিয়া পদুকটা নিবাসী বিশেষভাৱে সক্ষম যুৱক গৌৰৱজ্যোতি দাসক নিত্যানন্দ শইকীয়াই সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ লগতে অম্লান গোষ্ঠীৰ সম্পাদক প্ৰৱাহন কাশ্যপে সামান্য পৰিমানৰ ধন উপহাৰস্বৰূপে আগবঢ়ায়। ৰাইজৰ সহায়-সহযোগিতাৰ বাবে অম্লান গোষ্ঠীৰ উদ্যোক্তাসকলে ধন্যবাদ জ্ঞাপন কাৰৰ লগতে বিশেষভাৱে সক্ষম লোক সকলৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ পৰিকল্পনাৰ কথা জানিবলৈ দিয়ে।

# এজাৰবাৰীত প্ৰকৃতি প্ৰেমী মঞ্চ, অসমৰ কেন্দ্ৰীয় অভিৱৰ্তন সফল সম্পন্ন

**ই-সংবাদ, লাহৰীঘাট ৩০ ডিচেম্বৰ :** মৰিগাঁও জিলাৰ এজাৰবাৰীত ৰবিবাৰে প্ৰকৃতি প্ৰেমী মঞ্চ, অসমৰ কেন্দ্ৰীয় অভিৱৰ্তন খন দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়।অঞ্চলটোৰ ২ নং গোনামৰাস্থিত সুদৰ্শনা কমপ্লেক্সত অনুষ্ঠিত হোৱা প্ৰকৃতিপ্ৰেমী মঞ্চ, অসমৰ কেন্দ্ৰীয় অভিৱৰ্তনখনত অসমৰ গৰিষ্ঠসংখ্যক জিলা সামৰি গঠন হয় ৯৭ জনীয়া কেন্দ্ৰীয় সমিতি । কাৰ্যসূচী অনুসৰি পুৱা ভাগত পতাকা উত্তোলন কৰে প্ৰকৃতিপ্ৰেমী মঞ্চ অসমৰ প্ৰতিষ্ঠাপক উপদেষ্টা ভৱেন চন্দ্ৰ পাতৰে । স্মৃতি তৰ্পণ কৰে সমাজ সেৱিকা জয়ন্তী পাতৰ, হিতেশ শৰ্মা আৰু ধীৰাজ পাতৰে । মঞ্চৰ মুখ্য কাৰ্যালয়টো আনুষ্ঠানিকভাৱে মুকলি কৰে মৰিগাঁও জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া তথা মঞ্চৰ বন্যপ্ৰেমী চিকিৎসাৰ তত্বাৱধায়ক নীলোৎপল কাকতিয়ে ।ইয়াৰ পাছতে মঞ্চৰ বন্তি প্ৰজ্জ্বলন কৰে কবি, চলচিত্ৰ নিৰ্মাতা অজিত কুমাৰ ৰায়ে ।ইফালে হাড়গিলা সংৰক্ষণৰ বাবে কলং নৈৰ পাৰত ৰোপায়ন কৰা গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ড° উৎপল চৌধুৰীয়ে । প্ৰকৃতিপ্ৰেমী মঞ্চ, অসমৰ কেন্দ্ৰীয় অভিৱৰ্তনখন সঞ্চালনা কৰে জনপ্ৰিয় কবি, নাট্যকাৰ, পৰিৱেশকৰ্মী প্ৰণৱ কুমাৰ বৰ্মনে ।এই অভিৱৰ্তনতে কবি প্ৰণৱ কুমাৰ বৰ্মনক সভাপতি, প্ৰকৃতিপ্ৰেমী মঞ্চ, অসমৰ প্ৰতিষ্ঠাপক হিতেশ শৰ্মাক কাৰ্যকৰী সভাপতি, ধীৰাজ পাতৰক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি অসমৰ গৰিষ্ঠসংখ্যক জিলাক সামৰি ৯৭ গৰাকী সদস্যৰে গঠিত হয় প্ৰকৃতিপ্ৰেমী মঞ্চ ,অসমৰ কেন্দ্ৰীয় সমিতিখন।আনহাতে এই অভিৱৰ্তনতে অৰণ্য মানৱ যাদৱ পায়েঙৰ ১৩ অক্টোবৰৰ জন্মদিনটোক প্ৰতি বছৰে 'অৰণ্য দিন' হিচাপে পালন কৰিবলৈ মঞ্চই সিদ্ধান্ত গ্ৰহণ কৰে । ইয়াৰ উপৰি সন্ধিয়া প্ৰণৱ কুমাৰ বৰ্মনৰ সঞ্চালনাত “হিমশীতল সন্ধিয়া কবিতাৰ উম” শীৰ্ষক এটি কবিতানুষ্ঠানো অনুষ্ঠিত হয় । উক্ত অনুষ্ঠানত কবি জুতিষা মহন্ত, কল্পজ্যোতি শাণ্ডিল্য, ভৰত কুমাৰ নাথ, পাৰ্থপ্ৰতিম গৌতম, ড° ভোলানাথ ভকত, অজয় ডেকা, ড° উৎপল চৌধুৰী, সনত মহন্তকে আদি কৰি অৰ্ধশতিক কবিয়ে কবিতা পাঠ কৰে ।

# কৃতী শিক্ষক গজেন্দ্ৰ বৰুৱাৰ মৃত্যুত শোক

**ই-সংবাদ, ছিপাঝাৰ, ৩০ ডিচেম্বৰঃ** দৰং জিলাৰ হাজৰিকাপাৰা গাঁৱৰ বৰুৱা চুবুৰী নিবাসী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, ধৰ্মপ্ৰাণ ব্যক্তি তথা বৰবাকাৰা প্ৰাথমিক বিদ্যালয়ত সুদীৰ্ঘ ৩২ বছৰে শিক্ষকতা কৰা সূত্ৰে শ্বেতমদাৰ গাঁৱত ছেকেণ্ড ছাৰ ৰূপে খ্যাত স্বনামধন্য শিক্ষাগুৰু গজেন্দ্ৰ বৰুৱাই আজি দিনৰ ১১.৩০ বজাত আকস্মিকভাৱে উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ ৮৬ বছৰ বয়সত মৃত্যুক আঁকোৱালি লয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক বৰুৱা হাজৰিকাপাৰা প্ৰাথমিক শাখাৰ প্ৰাক্তন সভাপতি, শংকৰ জ্যোতি কৃষ্টি সংঘৰ উপদেষ্টা, হাজৰিকাপাৰা পেঞ্চনাৰ গোটৰ উপদেষ্টা, শালমাছ উঠা উন্নয়ন পৰিষদৰ উপদেষ্টা আদি বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। বৰুৱাৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘ হাজৰিকাপাৰা প্ৰাথমিক শাখা, হাজৰিকাপাৰা আঞ্চলিক শাখা, হাজৰিকাপাৰা আঞ্চলিক সেৱা বাহিনী, আঠিয়াবাৰী প্ৰাথমিক শাখা, চক্ৰপানি প্ৰাথমিক শাখা, ঢোপৰতলৰ শংকৰ জ্যোতি কৃষ্টি সংঘ, হাজৰিকাপাৰা আঞ্চলিক পেঞ্চনাৰ গোট, দক্ষিণ মঙলদৈ নাগৰিক সভা, হাজৰিকাপাৰা সাহিত্য সভা, আঠিয়াবাৰী ভোগালী বিহু উদযাপন সমিতি, বৰবাকাৰা প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতি, দগ্ধা মন্দিৰ পৰিচালনা সমিতি, পূৰ্বজ্যোতি সংঘ, পূবেৰুণ পুথিভঁৰাল, আঠিয়াবাৰী ন-পুখুৰী উন্নয়ন সমিতি, ছিপাঝাৰ আঞ্চলিক বাতৰি কাকত বিতৰক সন্থা আদি অসংখ্য অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে। তেওঁ মৃত্যুৰ সময়ত পত্নী, দুগৰাকী পুত্ৰ, বোৱাৰী, নাতি-নাতিনীকে ধৰি অসংখ্য গুণমুগ্ধক এৰি থৈ যায়।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# নতুন বৰ্ষক আদৰিবলৈ খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ ব্যতিক্ৰমী প্ৰয়াস

**ই-সংবাদ, খুমটাই, ৩০ ডিচেম্বৰঃ** পুৰণিক বিদায় দি নৱবৰ্ষক আদৰিবলৈ সাজু হোৱাৰ সময়তে খুমটাইৰ মেলামৰাত অনুষ্ঠিত হৈছে ফুলৰ উৎসৱ। নানাৰঙী ফুলেৰে জাতিষ্কাৰ হৈ পৰিছে মেলামৰা পৰ্যটনস্থলী। এই উৎসৱত অংশগ্ৰহণ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ফুলৰ বিপণিসমূহ। খুমটাইৰ জনপ্ৰিয় বিধায়ক মৃণাল শইকীয়াৰ ব্যতিক্ৰমী প্ৰয়াসৰ অংশস্বৰূপে মেলামৰা গ্ৰাম্য পৰ্যটন ক্ষেত্ৰত ৩০, ৩১ ডিচেম্বৰ আৰু ১ জানুৱাৰী পৰ্যন্ত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই গছ আৰু ফুল উৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম বিধানসভাৰ অধ্যক্ষ ডাঃ নোমল মমিনে। পুৱাৰে পৰাই হাজাৰ হাজাৰ লোকৰ সমাগম ঘটিছে এই ফুলৰ মেলাত। প্ৰকৃতিৰ সৈতে একাত্ম হৈ সকলোৱে নতুন বছৰৰ স্বাগতম জনাবলৈ উৎসাহিত হৈ পৰিছে এই মেলাত। ফুল আৰু বিভিন্ন প্ৰজাতিৰ উদ্ভিদৰ লগতে এই মেলালৈ আহিছে বিভিন্ন থলুৱা সামগ্ৰী পাছফালৰ বিপণীও। সমাজৰ পৰা হেৰাই যাবলৈ ধৰা ঢেঁকী, তাঁতশালো প্ৰদৰ্শিত হৈছে এই মেলাত। ফুলৰ মেলাত উপস্থিত হৈ অভিভূত পৰা দেখা গ'ল কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাক। এই মেলাৰ মাজতে খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াৰ এখন গ্ৰন্থও উন্মোচন কৰা হয়। "অতৃপ্ত অশৰীৰি" শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে সাংসদ কামাখ্যা প্ৰসাদ তাছাই। বিধায়কগৰাকীয়ে অসমৰ ৰাইজক এই মেলা উপভোগ কৰিবলৈ আমন্ত্ৰণ জনাইছে।

# ছিপাঝাৰ পৌৰসভাত ধুমুহা! দুই খণ্ড আয়ুক্তৰ পদত্যাগ

**ই-সংবাদ, ছিপাঝাৰ, ৩০ ডিচেম্বৰঃ** ছিপাঝাৰ সমজিলাৰ সদৰ চহৰ তথা প্ৰথমবাৰৰ বাবে গঠন হোৱা ছিপাঝাৰ পৌৰসভাৰ দুই খণ্ড আয়ুক্তই আচম্বিতে আজি আবেলি দাখিল কৰে পদত্যাগ পত্ৰ। ইমানেই নহয় আৰু এগৰাকী খণ্ড আয়ুক্তই পদত্যাগৰ যো-জা চলাই থকাৰ কথা বিশেষসূত্ৰে চৰ্চিত হৈ আছে। পৌৰসভাখনৰ খণ্ড আয়ুক্তই আচম্বিতে পদত্যাগ পত্ৰ দাখিল কৰাত এক প্ৰকাৰ ধুমুহাৰ সৃষ্টি হৈছে ছিপাঝাৰ পৌৰসভাৰ ভিতৰ চ'ৰাত। পৌৰসভাখনৰ ৬ আৰু ৭ নং ৱাৰ্ডৰ দুই খণ্ড আয়ুক্ত ক্ৰমে পৱিত্ৰ কুমাৰ শইকীয়া আৰু দুলাল ডেকাই ইতিমধ্যে পদত্যাগ পত্ৰ দাখিল কৰিছে। উল্লেখ্য যে, প্ৰথমবাৰৰ বাবে গঠন হোৱা পৌৰ সভাখন চৰকাৰী মেৰপেচৰ বাবে বিগত তিনি বছৰ ধৰি কাৰ্যতঃ নিথিৰাম চৰ্দাৰৰ ভূমিকাত অৱতীৰ্ণ হৈ অহাৰ সমান্তৰালভাৱে পৌৰ এলেকাটোত স্থবিৰ হৈ আছে উন্নয়নমূলক কাম-কাজ। বিশেষতঃ পৌৰসভাখন গঠনৰ সময়তে থকা আঁসোৱাহৰ বাবে তিনিটাকৈ বৰ্ষ খণ্ড আয়ুক্তসকলে কৰ্মহীনভাৱে কটাই ক্ষোভিত হৈ আছে যদিও দলীয় অনুশাসন ভংগ নকৰাৰ অংগীকাৰেৰে কাৰ্যনিৰ্বাহ কৰি আছিল। কিন্তু শেহতীয়াকৈ চৰকাৰী আঁচনি প্ৰদানৰ নামত একাংশই মইমতালি চলোৱাৰ অভিযোগত দুই খণ্ড আয়ুক্তই পৌৰসভাখনৰ পৰা পদত্যাগ পত্ৰ দাখিল কৰিছে। স্মৰ্তব্য যে, নৱ গঠিত পৌৰসভাখনত ছিপাঝাৰৰ ৰাইজে বিপুল উৎসাহেৰে অভিলেখ সংখ্যক ভোট দান কৰি শাসকীয় দল বিজেপিৰ ৮ গৰাকী আৰু মিত্ৰদল অগপৰ দুই গৰাকী প্ৰাৰ্থীক নিৰ্বাচিত কৰিছিল। বহু প্ৰত্যাশাৰে গঠন হোৱা পৌৰসভাখনে ৰাইজক উন্নয়নৰ নামত বিগত তিনি বছৰত ক্ষোভিত কৰাৰ বিপৰীতে কৰ্মহীন খণ্ড আয়ুক্তসকল হৈ পৰিছে হতাশগ্ৰস্ত। যাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ পূৰ্বেও তিনি গৰাকী খণ্ড আয়ুক্তই পদত্যাগ কৰিবলৈ সাজু হৈছিল যদিও শেষ মুহূৰ্তত সেই সিদ্ধান্ত বাতিল কৰে। পিছে শেহতীয়াকৈ পৌৰ সভাখনৰ ভিতৰ চ'ৰাত একাংশ খণ্ড আয়ুক্তক চৰকাৰী আঁচনি প্ৰদানৰ নামত নাচৰ পুতলা সজোৱাক লৈ ক্ষোভিত হৈ পৰিছে এইসকল ৰাইজৰ প্ৰতিনিধি। উল্লেখ্য যে, পদত্যাগ পত্ৰ দাখিল কৰা দুই খণ্ড আয়ুক্তৰ ভিতৰত এগৰাকী হ'ল অগপৰ দুলাল ডেকা আৰু আনগৰাকী বিজেপিৰ পৱিত্ৰ কুমাৰ শইকীয়া। আনহাতে, আন এগৰাকী বিজেপিৰ হৈ নিৰ্বাচিত খণ্ড আয়ুক্তই পদত্যাগৰ যো-জা চলাই থকা বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে।

# যোৰহাটৰ চেনিজানত ধান ক্ৰয় কেন্দ্ৰৰ শুভাৰম্ভ

**ই-সংবাদ, পশ্চিম যোৰহাট, ৩০ ডিচেম্বৰঃ** কৃষকৰ পৰা পোনপটীয়াকৈ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইন্টলত ২,৩০০ টকাকৈ ধান ক্ৰয়ৰ বাবে ৰাজ্যৰ অন্য জিলাৰ লগতে যোৰহাটৰ মাধৱপুৰ, নকছাৰি, ঢেঁকৰগঢ়া, হাঁহচৰা আৰু চেনিজানত স্থান নিৰ্ধাৰণ কৰে। ইতিমধ্যে মাধৱপুৰ, নকছাৰি, ঢেঁকৰগঢ়াত কৃষকৰ পৰা ধান ক্ৰয় কৰি থকাৰ উপৰি অন্যান্য কৃষকসকলৰ সুবিধাৰ্থে পুব যোৰহাটৰ চেনিজানত কৃষি বিপণন বিভাগৰ কাৰ্যালয়ত ৩০ ডিচেম্বৰত ধান ক্ৰয় কেন্দ্ৰটো ফিতা কাটি মুকলি কৰে যোৰহাট জিলা কৃষি বিষয়া দেৱজিৎ দত্তই। যোগান বিভাগৰ যুটীয়া আয়ুক্ত লালচন্দ্ৰ বড়িয়ে বক্তব্য আগবঢ়োৱা সভাত জিলা কৃষি বিভাগৰ এছ ডি অ' শান্তনু দত্ত, এ ডি অ' ক্ৰমে টীয়কৰ সৌৰভ শৰ্মা, চিপাহীখোলাৰ ময়ূৰ তৃষ্ণা ৰাজখোৱা, চেলেংহাটৰ পৃথ্বীৰাজ পেগু, পৰিদৰ্শক বিপুল শইকীয়া প্ৰমুখ্যে ভালেসংখ্যক কৃষক উপস্থিত থাকে। জিলা কৃষি বিষয়াগৰাকীয়ে কয় যে অসমৰ বাবে কৃষি ঋতু ২০২৪-২৫ বৰ্ষত চৰকাৰে ৫.৮০ লাখ টন ধান কৃষকৰ পৰা পোনপটীয়াকৈ ক্ৰয় কৰিব। প্ৰতি কুইন্টলত চৰকাৰে ২,৩০০ টকাকৈ প্ৰদান কৰিব। কিন্তু ধানসমূহ পৰিষ্কাৰ আৰু শুকান হোৱাৰ লগতে আৰ্দ্ৰতা সৰ্বাধিক ১৭ শতাংশ হোৱা উচিত। অসম খাদ্য আৰু অসামৰিক যোগান নিগম, ভাৰতীয় খাদ্য নিগম নাফেদ আৰু অসম ৰাজ্যিক কৃষি বিপণন পৰিষদে ধান ক্ৰয় কেন্দ্ৰ ৰাজ্যখনত ১৭৬ টা স্থাপন কৰিছে। ইয়াত পঞ্জীয়নকৃত কৃষকৰ পৰা ধান ক্ৰয় কৰা হ'ব। যোৰহাট জিলাত মাধৱপুৰ, নকছাৰি, ঢেঁকৰগঢ়াত ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰি কৃষকৰ পৰা পোনপটীয়াকৈ ধান ক্ৰয় কৰি থকা হৈছে। চেনিজানৰ কৃষি বিপণন কেন্দ্ৰত আনুষ্ঠানিকভাৱে ধান ক্ৰয় কেন্দ্ৰটো আজিৰ পৰা আৰম্ভ কৰা হ'ল। প্ৰতি বস্তাত ৪১ কেজি ২০০ গ্ৰামকৈ ধান জোখ-মাপ কৰি লোৱা হ'ব। তাৰপূৰ্বে ধানৰ আৰ্দ্ৰতা পৰীক্ষণ কৰা হ'ব। সমীপৱৰ্তী সকলো কৃষককে ধান ক্ৰয় কেন্দ্ৰত ধান প্ৰদান কৰি কৃষকসকলক উচিত মূল্য চৰকাৰৰ পৰা নিজৰ বেংক হিচাপৰ জৰিয়তে ধন আদায় কৰিবলৈ বিষয়াজনে আহ্বান জনায়। চলিত সপ্তাহতে হাঁহচৰা কেন্দ্ৰটোও শুভাৰম্ভ কৰা হ'ব বুলি বিষয়াজনে বক্তব্যত উল্লেখ কৰে।

# নগাঁৱত কবিতাৰ সম্ৰাট নৰকান্ত বৰুৱাক কবিতা পাঠেৰে স্মৰণ

**ই-সংবাদ, পুৰণিগুদাম, ৩০ ডিচেম্বৰঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো অকণিৰ সাহিত্য সভাই ২৯ ডিচেম্বৰৰ বিয়লি কবিতাৰ সম্ৰাট নৰকান্ত বৰুৱাৰ নগাঁও চহৰৰ পুৰণি বাসগৃহৰ চৌহদৰ শিলিখা জোপাৰ তলত তেওঁৰ ৩৫ সংখ্যক ওপজা দিনটো "কবিতাৰ দিন" হিচাপে উদযাপন কৰি তেওঁক স্মৰণ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে নৰকান্ত বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে অধ্যাপিকা ডাঃ অমিয়া পাটৰে। অনুষ্ঠানত কেইবাগৰাকী বক্তাই নৰকান্ত বৰুৱাৰ জীৱন দৰ্শনৰ বিষয়ে আলোকপাত কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰদীপ শইকীয়াই। ইয়াৰ পিছতে বিশিষ্ট কবি দ্বিজেন্দ্ৰ নাথ হাজৰিকাৰ সঞ্চালনাত কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। বিজন পাটৰ, অনুভৱ বৰা, হেমেন্দ্ৰ শৰ্মা, হেলেন পণ্ডিত, স্বপ্না দেৱী, ইন্দিৰা গোস্বামী, কিশোৰ দাস, দিপ্তী বৰা, অশোকৰাম ভট্টাচাৰ্য, চন্দ্ৰ মুদৈ, বেলা মোডী, অমিয়া গোস্বামী, নিজৰা শইকীয়া, কুমকুম বৰুৱা, মৃদুপৱন বৰুৱা, মুনীন্দ্ৰ শইকীয়া, জয়ন্তী বৰা, দীপা পণ্ডিত, কবিতা দাস, অনুকোৰৰ সিংহ, শোভা হাজৰিকা, স্বপ্না দে, প্ৰীতি চৌধুৰী আদি অৰ্ধশতাধিক কবিয়ে কবিতা পাঠ কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত শিল্পী মুকুতা ৰাজাই গীত পৰিৱেশন কৰাৰ লগতে হিমাদ্ৰী হাজৰিকাই কবিতা আবৃত্তি কৰে। বিশিষ্ট কবি ডাঃ প্ৰয়াগ শইকীয়াই নৰকান্ত বৰুৱাৰ কাব্যপ্ৰিয়তাৰ বিষয়ে মনোগ্ৰাহী ভাষণ প্ৰদান কৰে। তদুপৰি গীতিকাৰ অনিল শৰ্মা, সাংস্কৃতিক গোষ্ঠীৰ সভাপতি লোহিত কলিতা আৰু প্ৰবীণ বৰাই কবিগৰাকীক স্মৰণ কৰি বক্তব্য ডাঙি কৰে। অনুষ্ঠানটি আঁত ধৰে অকণিৰ সাহিত্য সভাৰ নগাঁও জিলা পৰিচালন সম্পাদক কবি-লেখক নবীন কলিতাই। উক্ত অনুষ্ঠানতে অসমীয়াৰ কবিগুৰু নৰকান্ত বৰুৱাৰ প্ৰাকজন্ম শতবৰ্ষ ২০২৫ উদযাপনৰ বাবে বিনু লস্কৰক সভাপতি আৰু নিৰ্মালী বৰা মালাকাৰক সম্পাদক হিচাপে নিৰ্বাচন কৰে।

# কাকপথাৰত নৃশংস হত্যাকাণ্ড

**ই-সংবাদ, কাকপথাৰ, ৩০ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ থানাৰ অন্তৰ্গত কুমচাং চাহ বাগিচাৰ ৫ নং লাইনত যোৱা নিশা এক লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হয়। ইয়াকে কেন্দ্ৰ কৰি অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে কুমচাং ৫ নং লাইনৰ বাসিন্দা জলধৰ তাঁতী (৩৫) ওৰফে জুলেনে পত্নী চবিনা (৩৪)ক সুৰাসক্ত হৈ মৰিয়াই মৰিয়াই হত্যা কৰে। আজি পুৱা এই হত্যাকাণ্ডৰ ঘটনা পোহৰলৈ অহাত স্থানীয় ৰাইজ আৰু গাঁওৰক্ষী বাহিনীৰ লোকে কাকপথাৰ আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষীৰ এটা দল উপস্থিত হৈ তেজে লুতুৰি-পুতুৰি হৈ থকা চবিনাৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে হত্যাকাৰী স্বামী জুলেনক আটক কৰে। পাৰিবাৰিক কন্দলৰ বাবেই জুলেনে পত্নীক হত্যা কৰা বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

# নগাঁৱত অবাধে চলিছে অসাধু ব্যৱসায়ীৰ দৌৰাত্ম্য

**ই-সংবাদ, বেবেজীয়া, ৩০ ডিচেম্বৰঃ** পুনৰ এটা বছৰে আমাৰ মাজৰ পৰা বিদায় মাগিব আৰু লগে লগে এটি নতুন বৰ্ষই ভুমুকি মাৰিব। পূৰ্বৰ সকলো হিংসা-সন্ত্ৰাস, ধৰ্ণা-প্ৰতিবাদ আদিৰ কোলাহল ফালি এই নতুন বছৰটোয়ে যেন কঢ়িয়াই আনিব অলেখ সুখ-শান্তিৰ বতৰা। সেয়েহে সমগ্ৰ বিশ্ববাসীৰ দৰে অসমৰ প্ৰতিজন জনতাই তেনে এটা দিনৰ বাবে বহু আশাৰে বাট চাই আছে। উল্লেখ্য, সম্প্ৰতি আমাৰ মাজৰ পৰা বিদায় ল'বলৈ ওলাইছে ২০২৪ বৰ্ষই আৰু গতানুগতিকতাৰে পদাৰ্পণ কৰিব ২০২৫ বৰ্ষই। সেয়ে সৰ্বস্তৰৰ জনতাই এতিয়া নতুন বছৰক আদৰণি জনাবলৈ সাজু হোৱাৰ বিপৰীতে 'থাৰ্টী ফাৰ্ষ্ট' পালনৰ বাবে বিভিন্ন উপায়েৰে প্ৰস্তুতি চলাইছে। কিন্তু সমাগত 'থাৰ্টী ফাৰ্ষ্ট'ৰ গইনা লৈ নগাঁও জিলাৰ একাংশ চতুৰ অসাধু ব্যৱসায়ীয়ে নিজ খেয়াল-খুচি মতে মাছ আৰু মাংসৰ ব্যাপক মূল্যবৃদ্ধি ঘটোৱাত স্বাভাৱিকতেই সৰ্বসাধাৰণ ৰাইজ বিপাঙত পৰিছে। প্ৰকাশ যে, নৱবৰ্ষ উপলক্ষে সকলোৱে পাৰ হ'বলৈ আগবঢ়া বছৰটোৰ সকলো দুখ-দুৰ্গতি পাহৰি নতুন বছৰটোয়ে সকলোলৈ সুখ-শান্তিৰ বতৰা কঢ়িয়াই অনাৰ পৰম আশাৰে স্ফূৰ্তি-তামাচাৰে লগে-ভাগে ভোজ-ভাত খোৱাৰ আয়োজন কৰিছে। কিন্তু এই ভোজ-ভাতৰ বাবে অতি প্ৰয়োজনীয় মাছ আৰু মাংসৰ প্ৰতি বিধৰে দাম বিগত সপ্তাহৰ তুলনাত কেজিয়ে প্ৰতি ৩০-৪০ টকা পৰ্যন্ত বৃদ্ধি কৰিছে সুবিধাবাদী অসাধু ব্যৱসায়ীসকলে। জিলাখনৰ প্ৰধান বাণিজ্যিক স্থানসমূহৰ লগতে গ্ৰামাঞ্চলবোৰটো মাছ-মাংসৰ অবাধ দাম বৃদ্ধিৰে অসাধু ব্যৱসায়ীসকলে মুনাফা লুটিছে। কিন্তু 'থাৰ্টী ফাৰ্ষ্ট' আৰু নৱবৰ্ষৰ আগমনক কেন্দ্ৰ কৰি নগাঁৱত সুবিধাবাদী ব্যৱসায়ীসকলে নিয়ম বৰ্হিভূতভাৱে চৰম মইমতালিৰে এনেদৰে মাছ আৰু মাংসৰ দাম হঠাতে বৃদ্ধি ঘটোৱা কাৰ্যত জিলা প্ৰশাসনে বাধা প্ৰদান কৰি মাছ আৰু মাংসৰ বিক্ৰীৰ দৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহন কৰিব লাগিছিল যদিও তাকে নকৰাত সচেতন মহলৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গতিকে, অসাধু ব্যৱসায়ীসকলক নাকী লগাই মাছ আৰু মাংসৰ দৰ নিয়ন্ত্ৰণেৰে সৰ্বস্তৰৰ লোকক সমস্যাৰ গৰাহৰ পৰা উদ্ধাৰ কৰি সকাহ দিবলৈ জিলা আয়ুক্তৰ প্ৰতি সচেতন নাগৰিকসকলে অনুৰোধ জনাইছে।

# দুৰ্নীতিৰ ভূ-স্বৰ্গত পৰিণত মাণিকপুৰ আসাম গ্ৰামীণ জীৱিকা অভিযান কাৰ্যালয়

**ই-সংবাদ, কোকিলা, ৩০ ডিচেম্বৰঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত মাণিকপুৰ আসাম গ্ৰামীণ জীৱিকা অভিযান কাৰ্যালয় দুৰ্নীতিৰ ভুস্বৰ্গত পৰিণত হৈছে। জানিব পৰা মতে ২০২২-২৩ চনত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ মেনেজমেণ্টৰ জৰিয়তে ৰাষ্ট্ৰীয় ঘাইপথৰ মাজৰ ডিভাইডাৰত আৰু ঘাইপথৰ পশ্চিম পিনে গছপুলি ৰোপণৰ বাবে মাণিকপুৰ আসাম গ্ৰামীণ জীৱিকা অভিযান কাৰ্যালয়ৰ জৰিয়তে পাতিলাদহা শতাব্দী ছিএলএফক(CLF) দায়িত্ব অৰ্পণ কৰিছিল। শতাব্দী ছি এল এফে মাণিকপুৰ সেউজ অসম ভি অৱ অধীনস্থ কেইটামান আত্মসহায়ক গোটৰ জৰিয়তে উক্ত গছপুলি ৰোপণ কৰে। মাণিকপুৰ তিনিআলিৰ পৰা পাতিলাদহা তিনিআলি বৰপেটা জিলাৰ সীমালৈকে প্ৰায় ডেৰ কিলোমিটাৰ ঠাইত এই গছপুলি ৰোপণ কৰে। গছপুলি ৰোপণ আৰু ৰক্ষণাবেক্ষণৰ বাবে পাঁচ বছৰ সময় বান্ধি দি বিনিময়ত এডাল গছপুলিৰ বাবদ পোন্ধৰ শ টকাকৈ ধাৰ্য কৰে। আত্মসহায়ক গোটসমূহে নিজৰ টকা খৰচ কৰি গছপুলি ৰোপণ কাৰ্য সম্পন্ন কৰে যদিও আজিলৈকে সেই আত্মসহায়ক গোটসমূহে তাৰ প্ৰাৰিশ্ৰমিক পোৱা নাই। উল্লেখযোগ্য কথাটো হ'ল এই আঁচনিৰ নামত চৰকাৰে লাখ লাখ টকা আবণ্টন দিছে। এই আবণ্টিত ধন কাৰ পকেটত সোমাল? আশ্চৰ্যজনক কথাটো হ'ল এই গছপুলি ৰক্ষণাবেক্ষণ, জংঘল ছাফাই কৰা আৰু মেৰামতিৰ বাবেও শতাব্দী ছি এল এফক দায়িত্ব দিছিল যদিও ৰহস্যজনকভাৱে বৰ্তমানৰ BPM গীতাঞ্জলি চৌধুৰীয়ে স্থানীয় ব্যক্তিৰ দ্বাৰা কাম নকৰি বঙাইগাঁৱৰ পৰা শ্ৰমিক আনি নামমাত্ৰ কাম কৰি বকেয়া আত্মসহায়ক গোটক দিবলগীয়া টকা আদায় নিদি আবণ্টিত আঠ লাখ টকা আত্মসাৎ কৰাৰো অভিযোগ উত্থাপন হৈছে। তদুপৰি এই কাৰ্যালয়ৰ জৰিয়তে চৰকাৰে আগবঢ়োৱা বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰতো দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে অমৃত বৃক্ষ আঁচনি আৰু মুখ্যমন্ত্ৰী মহিলা উদ্যোমিতা আঁচনিৰ ৰূপায়ণৰ বাবে কাম কৰা জীৱিকা সখী বাইদেউসকলক আজিলৈকে পাৰিশ্ৰমিক আদায় দিয়া নাই অথচ সেই পাৰিশ্ৰমিকৰ টকা চৰকাৰে কেতিয়াবাই মুকলি কৰি দিছে। আনহাতে, জীৱিকা সখী বাইদেউসকলে কাম কৰাৰ সময়ত, প্ৰশিক্ষণ শিবিৰ আৰু সভা-সমিতি অনুষ্ঠিত কৰাৰ সময়ত খাবলগীয়া চাহ-জলপানৰ নামত চৰকাৰে আবণ্টন দিয়া টকা ব্যয় নকৰি মাণিকপুৰৰ এক স্থানীয় ৰেষ্টুৰেণ্টৰ মালিকৰ বেংক একাউণ্টৰ জৰিয়তে লাখৰো অধিক টকা উঠাই আত্মসাৎ কৰাৰ অভিযোগৰ লগতে মহিলাসকলক দুৰ্ব্যৱহাৰ কৰাৰ তথ্য পোহৰলৈ আহিছে। মুঠতে বৰ্তমান মাণিকপুৰ আসাম গ্ৰামীণ জীৱিকা অভিযান কাৰ্যালয় এক অৰাজকতাৰ মাজেৰে চলিছে। কাৰ বলত বলীয়ান হৈ দুৰ্নীতিগ্ৰস্থ বিষয়াসকলে দুৰ্নীতি কৰিবলৈ সাহস পাইছে? সদায় দুৰ্নীতিৰ সহনশীলতাৰ কথা কোৱা চৰকাৰে পাৰিব নে এইসকল দুৰ্নীতিগ্ৰস্থ বিষয়াসকলক নাকী লগাবলৈ? এতিয়া সৰ্বত্ৰে এনেধৰণ প্ৰশ্ন উত্থাপন হোৱা দেখিবলৈ পোৱা গৈছে।

# গোলাপাৰা-বালাৰচৰত এদিনতে ৪টা আদৰ্শ অংগনবাদী কেন্দ্ৰৰ আধাৰশিলা স্থাপন বিধায়কৰ

**ই-সংবাদ, কোকিলা, ৩০ ডিচেম্বৰঃ** বঙাইগাঁও জিলাৰ নৱগঠিত সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত গোলাপাৰা-বাংলাপাৰা আৰু বালাৰচৰ-মাত্ৰাঘোলা গাঁও পঞ্চায়তত আজি চাৰিটাকৈ আদৰ্শ অংগনবাদী কেন্দ্ৰ গৃহৰ আধাৰশিলা স্থাপন কৰাৰ লগতে বহুকেইটা উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰে স্থানীয় বিধায়ক আব্দুল বাতিন খন্দকাৰে। পুৱা ১৪৬ নং পশ্চিম গোলাপাৰা দ্বিতীয় খণ্ড আদৰ্শ অংগনবাদী কেন্দ্ৰৰ গৃহৰ আধাৰশিলা স্থাপন কৰাৰ পিছত ৯৫ নং বালাৰচৰ দ্বিতীয় খণ্ড, ৩৪ নং মাত্ৰাঘোলা আৰু ৩৫ নং মাত্ৰাঘোলা আদৰ্শ অংগনবাদী কেন্দ্ৰৰ গৃহৰ আধাৰশিলা স্থাপন কৰে বিধায়কজনে। ইয়াৰ উপৰি বিধায়কজনে বিধায়ক পুঁজি ২০২৩-২৪ বৰ্ষৰ গোলাপাৰা-কীৰ্ত্তনপাৰা পথৰ পৰা ইছলাম মাৰ্কেট, গোলাপাৰা-কীৰ্ত্তনপাৰা গড়কাপ্তানী পথৰ পৰা মাগৰিব আলীৰ গৃহ লৈ, বালাৰচৰ দ্বিতীয় খণ্ড আবুল কালামৰ গৃহৰ পৰা গাজি ৰহমানৰ ঘৰলৈ দুই লাখ কৈ টকাৰ আধাৰশিলা স্থাপন কৰে। বিধায়ক খন্দকাৰে ইয়াৰ উপৰি ২০২৩-২৪ পঞ্চদশ বিত্তীয় আঁচনিৰ অধীনত পূৰ্ব গোলাপাৰা প্ৰাথমিক বিদ্যালয়, গোলাপাৰা বেছিক স্কুল আৰু মাত্ৰাঘোলাত উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰে। বিধায়কজনে একেদিনাই বহুকেইটা উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰাত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

# পৰ্বতঝোৰাৰ বগৰীবাৰীৰ কালী মন্দিৰৰ চৌহদত আপত্তিজনক টোপোলা উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, পৰ্বতঝোৰা, ৩০ ডিচেম্বৰঃ** শেহতীয়াকৈ বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বিশ্বৰ অদ্বিতীয় ২৫হাত (৩৭ ফুট )উচ্চতাৰ কালী মন্দিৰৰ চৌহদৰ ভিতৰত আজি পুৱা এটা আপত্তিজনক টোপোলা উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। জানিব পৰা মতে, আজি পুৱাৰ ভাগত প্ৰতিদিনৰ দৰে মন্দিৰত সেৱা জনোৱাৰ উদ্দেশ্যে স্থানীয় ভক্ত এজনে প্ৰৱেশ কৰে। এনে অৱস্থাত ভক্তজনে মন্দিৰৰ চৌহদৰ ভিতৰত এটা পোলিথিনৰ পেপাৰেৰ মেৰিওৱা এটা আপত্তিজনক টোপোলা প্ৰথমে প্ৰত্যক্ষ কৰে। পিছত স্থানীয় ভক্তজনে এই আপত্তিজনক টোপোলাটোক লৈ অধিক সন্দেহৰ সৃষ্টি হোৱাত মন্দিৰ পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকলক অৱগত কৰে। পিছত মন্দিৰ পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকলৰ লগতে স্থানীয় ভক্তপ্ৰাণ ৰাইজ উপস্থিত হৈ আপত্তিজনক টোপোলাটোৰ ভিতৰত আপত্তিজনক টোপোলা দেখিবলৈ পায়। পিছত এই খবৰ মুহূৰ্ত্তৰ ভিতৰত চাৰিফালে বিয়পি পৰাত অঞ্চলটোৰ শ শ ৰাইজ মন্দিৰত সমবেত হয়। এই সংক্ৰান্তত স্থানীয় বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ঋষিকেষ দাসৰ লগতে পৰ্বতঝোৰা মহকুমা আয়ুক্ত দেবজ্যোতি গগৈৰ লগতে মহকুমা আৰক্ষী প্ৰশাসনক অৱগত কৰে। পিছত বগৰীবাৰী ২৫হাত কালী মন্দিৰস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। লগতে এই আপত্তিজনক টোপোলাটো প্ৰকৃততে কি পৰিস্থিতিত আৰু কিহৰ টোপোলা তাক উপস্থিত থকা প্ৰশাসনিক বিষয়াসকলে ঠিৰাং কৰিব নোৱাৰি ইয়াৰ প্ৰকৃত ৰহস্য উৎঘাটনৰ বাবে ফৰেনচিক পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰে বুলি পৰ্বতঝোৰা মহকুমাধিপতি দেবজ্যোতি গগৈয়ে জানিবলৈ দিয়ে। ইপিনে, স্থানীয় ভক্তপ্ৰাণ ৰাইজে এই ঘটনাক লৈ যথেষ্ঠ উদ্বিগ্ন হোৱাৰ লগতে উত্তজিত হৈ কিছুসময়ৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। পিছত প্ৰশাসনৰ বুজনিত পথ অৱৰোধ উঠাই লয়। ইতিমধ্যে কোকৰাঝাৰ জিলা সদৰৰ পৰা অহা আৰক্ষীৰ দলৰ লগতে স্থানীয় বগৰীবাৰী আৰক্ষী থানাৰ আৰক্ষী প্ৰশাসনে এই ঘটনা সন্দৰ্ভত শ্লিপাৰ ডগ লৈ তদন্ত আৰম্ভ কৰিছে যদিও এতিয়ালৈকে কোনো ধৰণৰ সূংশুত্ৰ পোৱা নাই বুলি জানিব পৰা গৈছে। আনহাতে, ঐতিহাসিক বগৰীবাৰী কালী মন্দিৰ চৌহদত থকা চিচি কেমেৰাটো বিগত কেবামাহৰ পৰা বিকল হৈ পৰাত ইয়াৰ লগত জড়িত থকা সন্দৰ্ভত তথ্য উলিয়াবলৈ আহুকালৰ সৃষ্টি হৈছে।

# মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ ৩৬ সংখ্যক অধিৱেশন

**ই-সংবাদ, মৰিগাঁও, ৩০ ডিচেম্বৰঃ** মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ ৩৬ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনখন আজি দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ গুৰুচৰণ মেধি ভৱনত অনুষ্ঠিত কৰা হয়। পুৱাৰ ভাগত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ সভাপতি নুৰ মহম্মদে। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন কৰে ক্ৰমে ঘনকান্ত বৰা, ৰীণা ডেকা, পৰমেশ্বৰী ডেকা আৰু নিৰুপমা মহন্তই। আনহাতে, স্মৃতি তৰ্পণ কৰে পোনা দেৱী মহন্তই। দুপৰীয়াৰ ভাগত নুৰ মহম্মদৰ সভাপতিত্বত অধিৱেশনৰ প্ৰতিনিধি সভাখন অনুষ্ঠিত কৰা হয়। সভাখন উদ্বোধন কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য হৰেন্দ্ৰ বৰাই। সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক ৰোহিনী হাজৰিকাই আৰু আয়-ব্যয়ৰ হিচাপৰ প্ৰতিবেদন পাঠ কৰে হিচাপ পৰীক্ষক চালেহ উদ্দিন আহমেদে। সভাত পলী মজুমদাৰৰ দ্বাৰা সম্পাদিত শাখা সভাৰ পত্ৰিকা উন্মোচন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বুবুমণি গোস্বামীয়ে। সভাত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া, সম্পাদক ড০ অচ্যুত কুমাৰ দাস, প্ৰাক্তন উপ-সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি, জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মা, পৰম সুহৃদ হিতৈষী সভ্য মহেন্দ্ৰনাথ হাজৰিকা প্ৰমুখ্যে জিলা আৰু শাখা সাহিত্য সভাৰ বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে। সভাখনৰ আঁত ধৰে শাখাৰ প্ৰাক্তন সম্পাদক প্ৰণৱ ভট্টাচাৰ্যই। এই প্ৰতিনিধি সভাত পোনাদেৱী মহন্তক সভাপতি, প্ৰদীপ পৰাশৰক উপ-সভাপতি আৰু ৰোহিনী হাজৰিকাক সম্পাদক হিচাপে লৈ এখন নতুন পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

# চেলেংহাট কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয়ৰ বাৰ্ষিক বঁটা বিতৰণী সভা সম্পন্ন

**ই-সংবাদ, মৰিয়নী, ৩০ ডিচেম্বৰঃ** যোৰহাট জিলাৰ চেলেংহাটৰ হীৰক জয়ন্তী বৰ্ষত উপনীত হোৱা আগশাৰীৰ শিক্ষানুষ্ঠান কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয়ত আজি বাৰ্ষিক খেল-ধেমালিৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অঞ্জনা দত্তই সভাপতিত্ব কৰা আৰু বিদ্যালয়ৰ সহকাৰী শিক্ষক চন্দন জ্যোতি ভুঞাই উদ্দেশ্য বাখ্যা আৰু আদৰণি ভাষণ আগবঢ়োৱা সভাখনত পুব লাহিং মণ্ডল(খ)ৰ সমন্বয়ক নৃপেন শইকীয়াই শৈক্ষিক উন্নয়ন আৰু আগন্তুক গুণোৎসৱ সম্পৰ্কে বিষদ বক্তব্য আগবঢ়ায়। সভাত বিশিষ্ট সমাজকৰ্মী তুষাৰ পাল, চেলেংহাট প্ৰেছ ক্লাবৰ সম্পাদক অনুৰাগ শইকীয়া, লাচিত মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমেন গগৈ, মাজুনগঞা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰিতু গগৈ প্ৰমুখ্যে ব্যক্তিসকলে বক্তব্য প্ৰদান কৰে। সভাত অভিভাৱক-অভিভাৱিকা তথা বিভিন্নজন




গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে উক্ত সভাতেই চলিত বৰ্ষৰ পৰা আৰম্ভ হোৱা স্বৰ্গীয় চন্দন বৰুৱা সোঁৱৰণী শৈক্ষিক ন্যাস বঁটা প্ৰদান কৰা হয়। এই বৰ্ষৰ বিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি শৈক্ষিক ন্যাস বঁটা ২০২৪ পাবলৈ সক্ষম হয় বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰী জাগৃতি নৰমী দত্তই। দাতা পৰিয়ালৰ হৈ সংগীতা বৰুৱাই বঁটা প্ৰদান কৰে।

# বাঘমাৰা চৰ সমবায় সমিতিৰ সাধাৰণ সভা আৰু সঞ্চালক মণ্ডলীৰ নিৰ্বাচন সম্পন্ন

**ই-সংবাদ, নগৰবেৰা, ৩০ ডিচেম্বৰঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰ সমবায় সমিতিৰ সাধাৰণ সভা আৰু সঞ্চালক মণ্ডলীৰ নিৰ্বাচন কালি শান্তিপূৰ্ণভাৱে সমাপ্ত হয়। সমবায়খনৰ সদ্য বিদায়ী সভাপতি শুকুৰ আলীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সমবায়খনৰ সম্পাদক ৰিপন আলী সৰকাৰে। সভাৰ অন্তত সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে চলাই নিয়াৰ বাবে কৰ্তৃপক্ষই আনোৱাৰ হুছেইনক নিৰ্বাচনী বিষয়া, তাঞ্জিল হুছেইন আৰু সিদ্ধাৰ্থ নাথক সহকাৰী নিৰ্বাচনী বিষয়া আৰু শ্বৰিফ উদ্দিন আহমেদক পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়ে আৰু সুচাৰুৰূপে সঞ্চালক মণ্ডলীৰ নিৰ্বাচন সম্পন্ন হয়। উল্লেখ্য যে আলোপতি মাজৰচৰ, বাঘমাৰাচৰ, ধৰ্মপুৰ-সুখোৱাঝাৰ আৰু কদমতোলা গাঁও পঞ্চায়তৰে গঠিত বাঘমাৰাচৰ সমবায় সমিতিৰ অধীনত সৰ্বমুঠ ৫,১৩১ জন অংশীদাৰ আছে। মুঠ ১৫ জন সদস্য-সদস্যাৰে গঠিত হ'ব লগা সঞ্চালক মণ্ডলীৰ মহিলাৰ বাবে সংৰক্ষিত দুখন আসনৰ বাবে ৫ গৰাকী মহিলাই প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে মণ্ডলীৰ সাধাৰণ পদৰ ১২ খন আসনৰ বাবে ইতিপূৰ্বে বিশ জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰি সমবায় সমিতিখনৰ সঞ্চালক মণ্ডলীৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হয়। আনহাতে, সঞ্চালক মণ্ডলীৰ নিৰ্বাচনত অনুসূচীত জনজাতিৰ প্ৰাৰ্থী মঞ্জুৱালা ৰবি দাস বিনা প্ৰতিদ্বন্দ্বিতাত জয়ী হয়। আৰক্ষীৰ সম্পূৰ্ণ কটকটীয়া নিৰাপত্তা বেষ্টনীত যথেষ্ট ভিৰৰ মাজত সুচাৰুৰূপে ভোটদান সাব্যস্ত কৰে অংশীদাৰ ভোটাৰে। জানিবলৈ দিয়া মতে, সৰ্বমুঠ ৫,১৩১ জন অংশীদাৰ ভোটাৰৰ ভিতৰত ৩,৪৩৯ জন অংশীদাৰ ভোটাৰে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰাত ৬৭ শতাংশ লোকে ভোটদান কৰে। সন্ধিয়া ৬ বজাত ভোটদান প্ৰক্ৰিয়া সমাপ্ত হয়। অহা ৩১ ডিচেম্বৰত সমবায় সমিতিৰ সঞ্চালক মণ্ডলীৰ নিৰ্বাচনৰ ভোট গণনা কৰা হ'ব। সেইদিনা উক্ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ২৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ১৪ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হোৱাৰ পিছতে বাঘমাৰাচৰ সঞ্চালক মণ্ডলীৰ নতুন কমিটী গঠন হ'ব।

# ডুমডুমা শতদল শাখা সাহিত্য সভাৰ ৫০ তম দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, ডুমডুমা, ৩০ ডিচেম্বৰঃ** অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ এটি উল্লেখযোগ্য শাখা তথা তিনিচুকীয়া জিলাৰ ডুমডুমা শতদল শাখাৰ ৫০ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনি দিনজোৰা কাৰ্যসূচীৰে দেওবাৰে ইয়াৰ শাখাৰ নিজা ভৱনৰ বাকৰিত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পতাকা উত্তোলন কৰে শাখাৰ সভাপতি বিমলা বৰুৱাই। শাখাৰ প্ৰয়াত সভাপতি আৰু সম্পাদকসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটি মুকলি কৰে শাখাৰ উপ-সভাপতি জয়সূৰ্য বৰাই। স্মৃতি তৰ্পণ কৰে শাখাৰ সম্পাদক দেবেন ডেকাই। দুপৰীয়া শাখাৰ সভ্যসকলৰ মাজত অনুষ্ঠিত বিষয়-বাছনি সভাৰ পিছতেই শাখাৰ সভাপতি বিমলা বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আলোচনা চক্ৰ আৰু মুকলি সভাত "ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু আমাৰ কৰণীয়" শীৰ্ষক আলোচনাৰ বিষয়ত আমন্ত্ৰিত বক্তা হিচাপে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমলেশ্বৰ কলিতাই সাৰুৱা ভাষণ আগবঢ়ায়। সভাত আমন্ত্ৰিত অতিথি হিচাপে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত উপস্থিত থকাৰ উপৰি বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱজ্যোতি ডেকা আৰু ১২৫ নং ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা লেখক দিলীপ মৰাণ উপস্থিত থাকে। দেবেন ডেকাই আঁত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে "চিৰ চেনেহী মোৰ ভাষা জননী" গীতটি পৰিৱেশন কৰে স্থানীয় কণ কণ শিল্পীসকলে। উক্ত অনুষ্ঠানতেই শাখাৰ ৫০ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন উপলক্ষে পত্ৰিকা সম্পাদক দ্বীজেন শৰ্মাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা পত্ৰিকা উন্মোচন কৰে শাখাৰ একালৰ সম্পাদক




(১৯৭৭-৭৮, ১৯৭৮-৭৯) বিশিষ্ট নিৰন্ধকাৰ তথা অসম চৰকাৰৰ সাংবাদিক পেঞ্চনাৰ অমূল্য খাটনিয়াৰে। অনুষ্ঠানত শাখাৰ প্ৰাক্তন সম্পাদক অমূল্য খাটনিয়াৰ, ডুমডুমাৰ বিশিষ্ট সাংবাদিক মনোজ দত্ত, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাক এখনি গলবস্ত্ৰ, এখনি চেলেং, এটি স্মাৰক, এখনি প্ৰশস্তি-পত্ৰ আৰু একোখনকৈ কিতাপেৰে বিশেষ সম্বৰ্ধনা জনোৱাৰ উপৰি শাখাৰ সৈতে জড়িত কেইবাগৰাকী ব্যক্তিৰ লগতে প্ৰাক্তন বিষয়ববীয়াকো সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানতেই শাখাৰ দ্বি-বাৰ্ষিক অধিৱেশন অধিৱেশন উপলক্ষে যোৱা ২২ ডিচেম্বৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা বিশেষ সাহিত্য প্ৰতিযোগিতা (বক্তৃতা আৰু অসমীয়া শব্দৰ বানান লিখাৰ প্ৰতিযোগিতা)ত স্থান লাভ কৰা প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ঝিকানন্দ বৰগোহাঁই, জ্যেষ্ঠ সাংবাদিক ধীৰেন ডেকা, সদৌ মৰাণ ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক পদ্মজিৎ মৰাণ, গোলোক ডেকা, প্ৰফুল্ল মহন্ত, জয়সূৰ্য বৰা, সাৰংগ নাথ, ৰাজীৱ শৰ্মা, অভি তাঁতী, ৰাহুল ডেকা, ধৰণী শইকীয়া, কুলধৰ বৰ্মন, পংকজ শৰ্মা, ৰাজীৱ বৰাকে আদি কৰি শাখাৰ সভ্যসকলৰ লগতে ভালেসংখ্যক সাহিত্যপ্ৰেমী লোক উপস্থিত থাকে। উল্লেখ্য যে, অধিৱেশনৰ বিষয়-বাছনি সভাতেই শাখাৰ আগন্তুক ২০২৫-২৭ বৰ্ষৰ কাৰ্যকালৰ বাবে দেবেন ডেকাক সভাপতি, ত্ৰিদীপ ডেকাক উপ-সভাপতি, নিত্যানন্দ দাসক সম্পাদক, দ্বীজেন শৰ্মা আৰু জোনালী শইকীয়া ডেকাক সহঃ সম্পাদক, শুভাশীষ মল্লিকক কোষাধ্যক্ষ, মৌচুমী পাটোৱাৰীক পত্ৰিকা সম্পাদক আৰু কুলধৰ বৰ্মনক কাৰ্যালয় সম্পাদক হিচাপে লৈ ২১ জনীয়া শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

# কোকৰাঝাৰত অন্ত পৰিল আন্তঃজিলা মাষ্টাৰ্ছ এথলেটিক চেম্পিয়নশ্বিপ

**ই-সংবাদ, কোকৰাঝাৰ, ৩০ ডিচেম্বৰঃ** কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত যোৱা ২৭ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা ৩০ সংখ্যক আন্তঃজিলা মাষ্টাৰ্ছ এথলেটিক চেম্পিয়নশ্বিপ আজি সফলতাৰে সামৰণি পৰে। ৩২খন ক্ৰীড়া জিলাৰ ১২০০ৰো অধিক জ্যেষ্ঠ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা উক্ত প্ৰতিযোগিতাখনিত সৰ্বশ্ৰেষ্ঠ দল হিচাপে প্ৰথম স্থান লাভ কৰে মৰাণ ক্ৰীড়া জিলা, দ্বিতীয় স্থান লাভ কৰে চিলাপথাৰ আৰু তৃতীয় স্থান লাভ কৰে ডিব্ৰুগড় ক্ৰীড়া জিলাই। ইপিনে পুৰুষৰ শাখাত শ্ৰেষ্ঠদল হিচাপে প্ৰথম স্থান লাভ কৰে ডিব্ৰুগড় ক্ৰীড়া জিলা, দ্বিতীয় স্থান লাভ কৰে চিলাপথাৰ আৰু তৃতীয় স্থান লাভ কৰে মৰাণ ক্ৰীড়া জিলাই। মহিলাৰ শ্ৰেষ্ঠদল হিচাপে প্ৰথম স্থান লাভ কৰে মৰাণ ক্ৰীড়া জিলা, দ্বিতীয় স্থান লাভ কৰে চিলাপথাৰ আৰু তৃতীয় স্থান লাভ কৰে কামৰূপ মেট্ৰই। আনহাতে মাৰ্চপাষ্টত শ্ৰেষ্ঠদল হিচাপে প্ৰথম স্থান লাভ কৰে কোকৰাঝাৰ, দ্বিতীয় স্থান লাভ কৰে ডিগবৈ আৰু তৃতীয় স্থান লাভ কৰে কামৰূপ মেট্ৰই। প্ৰতিযোগী আৰু শ্ৰেষ্ঠদলক আজি আনুষ্ঠানিকভাৱে বঁটা আৰু মানপত্ৰ প্ৰদান কৰে বিধায়ক তথা আয়োজক সমিতিৰ অধ্যক্ষ লৰেন্স ইছলাৰীয়ে। বঁটা বিতৰণিৰ অন্তত বিধায়ক তথা আয়োজক সমিতিৰ অধ্যক্ষ লৰেন্স ইছলাৰীয়ে অনুষ্ঠানটি সকলোৰে সহায়-সহযোগত সফলতাৰে সমাপ্ত হোৱাত সকলোপক্ষলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। কোকৰাঝাৰ ক্ৰীড়াৰ "হাব" বুলি পৰিচিত হৈ আহিছে আৰু অনাগত সময়ছোৱাত কোকৰাঝাৰ ক্ৰীড়াক্ষেত্ৰত অধিক উজলি উঠিব বুলি আশা প্ৰকাশ কৰি মানসিক প্ৰশান্তিৰ বাবেও খেল প্ৰয়োজন বুলি মন্তব্য কৰিছে বিধায়ক লৰেন্স ইছলাৰীয়ে। আনহাতে সদৌ অসম মাষ্টাৰ্ছ এথলেটিক সন্থাৰ সম্পাদক বিদ্যুত মহন্তই আয়োজক সমিতিৰ আতিথ্যত মুগ্ধ হোৱা বুলি প্ৰকাশ কৰি ৩১ সংখ্যক আন্তঃজিলা মাষ্টাৰ্ছ এথলেটিক চেম্পিয়নশ্বিপ মৰিগাঁৱত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে।





মেলবৰ্ণ টেষ্টত ভাৰতক ১৮৪ ৰানত হৰুৱাই অষ্ট্ৰেলিয়ান দলৰ উল্লাস, সোমবাৰে

## গ্ৰাম্য পৰিৱেশৰ মাজেৰে বনভোজৰো অভিজ্ঞতা লোৱাৰ সুবিধা

# কনকা গ্ৰাম্য ৰিজৰ্টত লোকেলোকাৰণ্য পৰিৱেশ



**ই-সংবাদ, ওদালগুৰি, ৩০ ডিচেম্বৰঃ** গ্ৰাম্য পৰ্যটনৰ এক জনপ্ৰিয় নাম হৈছে কনকা গ্ৰাম্য ৰিজৰ্ট। বছৰটোৰ অন্তিম দিনকেইটাত এতিয়া লোকে লোকাৰণ্য পৰিৱেশে বিৰাজ কৰিছে ৰিজৰ্টখনত। প্ৰতিদিনে প্ৰায় ৩০০ৰ পৰা ৫০০ জনলৈ অতিথিয়ে বৰ্তমান ৰিজৰ্টখনত ভিৰ কৰাৰ কথা কৰ্তৃপক্ষৰ পৰা জানিব পৰা গৈছে। ওদালগুৰি-শোণিতপুৰ জিলাৰ সীমান্তৱৰ্তী হুগ্ৰাজুলিৰ পাঁচনৈ নদীৰ পাৰত বিগত প্ৰায় ৬-৭ বছৰ পূৰ্বে গঢ়ি উঠা এই ৰিজৰ্টখন বৰ্তমান প্ৰকৃতিপ্ৰেমী পৰ্যটকসকলৰ এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। গ্ৰাম্য চহা পৰিৱেশৰ মাজত গঢ়ি উঠা এই ৰিজৰ্টখনে এতিয়া দেশী-বিদেশী পৰ্যটকসকলকো যথেষ্ট পৰিমাণে আকৰ্ষিত কৰিছে। যাৰ ফলশ্ৰুতিত বছৰটোৰ প্ৰায় প্ৰতিটো মাহতে ৰিজৰ্টখনত আহি ভিৰ কৰে বিদেশী পৰ্যটকসকলে। চহৰৰ সেই যান্ত্ৰিক পৰিৱেশৰ পৰা আতৰি আহি এক নৈসৰ্গিক গ্ৰাম্য পৰিৱেশৰ মাজত সম্পূৰ্ণ এটা দিন কটাবলৈ ৰিজৰ্টখনক সাজু কৰি তুলিছে কৰ্তৃপক্ষই। বিভিন্ন দুসাহসিক ক্ৰীড়াৰ লগতে শিশুসকলৰ মনোৰঞ্জনৰ বাবেও বিভিন্ন ক্ৰীড়া সমাহাৰ উপলব্ধ আছে ৰিজৰ্টখনত। ইয়াৰোপৰি বৰশীৰে মাছ মৰা, নাও চলোৱা, ঘোৰাত উঠি ৰিজৰ্টখনৰ পৰিৱেশ উপভোগৰ লগতে ফুটবল, বেডমিণ্টন, কেৰম, দবা, বাস্কেটবল খেল ইত্যাদিৰো সু ব্যৱস্থা আছে ৰিজৰ্টখনত। লগতে ৰিজৰ্টখনৰ সাংস্কৃতিক মঞ্চত দিনটোৰ বিভিন্ন সময়ত চলি থকা সাংস্কৃতিক অনুষ্ঠানসমূহ পৰ্যটকসকলক ব্যস্ত কৰি ৰাখে। ৰিজৰ্টখনত থকা ৰেষ্টুৰেণ্টত পৰ্যটকসকলে অসমৰ থলুৱা খাদ্যৰো জুতি ল'ব পৰাকৈ পৰিৱেশ গঢ়ি তোলা হৈছে। এক সেউজ পৰিৱেশৰ মাজত গঢ় লৈ উঠা এই ৰিজৰ্টখনে স্থানীয় বহু লোককো কৰ্ম সংস্থাপন দিবলৈ সক্ষম হৈছে। ৰিজৰ্ট কৰ্তৃপক্ষই এইবেলি ৰিজৰ্টখনৰ সৈতে সংযোজন কৰিছে এক বনভোজস্থলীও। পাচনৈ নদীৰ পাৰত এক শান্তিময় পৰিৱেশৰ মাজেৰে বনভোজপ্ৰেমীসকলে বনভোজ খাব পৰাকৈ সুন্দৰ পৰিৱেশ সজাই তুলিছে ৰিজৰ্টখনৰ কৰ্তৃপক্ষই। য'ত ৰিজৰ্টখনলৈ যোৱা অতিথিসকলেও ভিৰ কৰা পৰিলক্ষিত হয়। একেদৰে আবেলি সূৰ্যাস্তৰ দৃশ্যইও এক সুকীয়া পৰিৱেশৰ সৃষ্টি কৰে বনভোজস্থলীত এই দৃশ্য কেমেৰাত বন্দী কৰাৰ বাবে বনভোজস্থলীত ভিৰ কৰে অতিথিসকলে। একপ্ৰকাৰ কবলৈ গ'লে এক বিৰক্তিহীন পৰিৱেশৰ মাজেৰে সুন্দৰকৈ দিন পাৰ কৰিবলৈ উপযোগী হিচাপে গঢ়ি তোলা এই ৰিজৰ্টখনলৈ আহি প্ৰতিজন লোকে সুন্দৰভাৱে নিজৰ দিনটো স্মৰণীয় কৰি ৰাখিব পাৰিব। ৰিজৰ্টখনৰ বিভিন্ন বিষয়ে জানিবলৈ ৯৭০৭৭৪৯৫৪৭ অথবা ৯৯৫৪৬৮৬৩৮৩ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে ৰিজৰ্ট কৰ্তৃপক্ষই আগন্তুক দিনবোৰত ৰিজৰ্টখনক লৈ অধিক পৰিকল্পনা কৰি থকাৰ কথাও কৰ্তৃপক্ষই সাংবাদিকক জানিবলৈ দিয়ে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি